শ্ৰেণী-ষষ্ঠ

বিষয়- সমাজ বিজ্ঞান

**সমল নং ঃ ১**

**<u>প্ৰাসংগিক শিকন ঘাটি ঃ</u>**

ক) কেতিয়াৰ পৰা আদিম মানুহ কৃষক হৈ পৰিল?

খ) আদিম মানুহে খাদ্য হিচাপে ব্যৱহাৰ কৰা প্ৰথম জন্তু কি আছিল?

**<u>শিকন ফলাফল ঃ</u>**

আদিম যুগৰ বিভিন্ন উত্তৰণসমূহ যেনে-চিকাৰ আৰু খাদ্য সংগ্ৰহৰ স্তৰ, খেতিৰ আৰম্ভণি স্তৰ, সিন্ধু উপত্যকাৰ প্ৰথম নগৰৰ উত্থান আদি ব্যাখ্যা কৰিব পাৰিব আৰু সমসাময়িক স্থানবোৰৰ উত্তৰণৰ সৈতে সম্পৰ্ক নিৰ্ণয় কৰিব পাৰিব।

**<u>আনুষংগিক শিকন ফলাফল ঃ</u>**

ক) আদিম মানুহৰ চিকাৰ আৰু খাদ্য সংগ্ৰহৰ স্তৰ সম্বন্ধে ব্যাখ্যা কৰিব পাৰিব।

খ) আদিম যুগৰ খেতিৰ আৰম্ভণি স্তৰ সম্বন্ধে ব্যাখ্যা কৰিব পাৰিব।

**<u>অধ্যায় ঃ</u>**

ষষ্ঠ শ্ৰেণীৰ পাঠ্যপুথিৰ সংগতিপূৰ্ণ পাঠসমূহ, যেনে-আদি প্ৰস্তৰ যুগ (পাঠ নং-১০), আদিম মানুহৰ অৰ্থনৈতিক কাৰ্যকলাপ আৰু স্থায়ী বসবাস (পাঠ নং-১১)।

**<u>পাতনি ঃ</u>**

মানৱ সভ্যতাৰ বিকাশ এদিনতে হোৱা নাছিল। সুদূৰ অতীতৰ মানৱৰ অঘৰী জীৱন ধাৰণ প্ৰণালীৰ পৰা বৰ্তমানৰ স্থায়ী বসতিকৰণ মানৱ ইতিহাসৰ এক দীঘলীয়া পৰিক্ৰমা। প্ৰকৃতিৰ লগত সহৰস্থান কৰিবলৈ অথবা প্ৰকৃতিক নিয়ন্ত্ৰণাধীন কৰি স্থায়ীভাৱে বসবাস কৰিবলৈ আদিম মানৱে যথেষ্ট সংগ্ৰাম কৰিবলগীয়া হৈছিল। এই সংগ্ৰামৰ ভিন ভিন স্তৰৰ ঘটনা-পৰিঘটনাসমূহৰ ওপৰত ভিত্তি কৰি মানৱ সভ্যতাৰ ইতিহাস গঢ় লৈ উঠিছে। কালক্ৰমত মানৱৰ নিজৰ চিন্তা, ধাৰণা, বিবেচনাৰ আধাৰত এনে এখন সমাজ গঢ় লৈ উঠিল যি জীৱকুলৰ শ্ৰেষ্ঠ আৰু শৃংখলিত সমাজ হিচাপে বিবেচিত হ'ল। বৰ্তমান আমি সকলো সেইখন সমাজৰে বাসিন্দা।

মানৱ সভ্যতাৰ বিকাশৰ এটা গুৰুত্বপূৰ্ণ স্তৰ হৈছে প্ৰস্তৰ যুগ। এই প্ৰস্তৰ যুগক আকৌ আদি প্ৰস্তৰ যুগ, মধ্যপ্ৰস্তৰ যুগ আৰু নৱপ্ৰস্তৰ যুগ নামেৰে তিনিটা ভাগত ভগোৱা হৈছে। এই প্ৰস্তৰ যুগতেই মানুহ সম্পূৰ্ণৰূপে প্ৰকৃতিৰ নিয়ন্ত্ৰণত আছিল যদিও সেই সময়ৰ পৰাই মানৱ সভ্যতাৰ ক্ৰমবিকাশৰ ধাৰা এটিৰ আৰম্ভণি হৈছিল। ফলস্বৰূপে কৃষিৰ আৰম্ভণি, পশুপালন, চকাৰ আৱিষ্কাৰ আদিৰ দৰে অভিনৱ ক্ৰমবিকাশৰ স্তৰ সমূহে মানৱ সমাজক প্ৰভাৱিত কৰিছিল আৰু স্থায়ী বসবাসৰ ফালে ধাবিত কৰি সমাজ জীৱনৰ ভেটি গঢ়িছিল।

**<u>এই অংশৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতাসমূহ ঃ</u>**

- অতীত কালত কৃষি কৰ্মৰ উদ্ভাৱন আৰু ইয়াৰ বিকাশৰ ধাৰা সম্পৰ্কে ধাৰণা দিব পাৰিব।
- কৃষি কৰ্মত ব্যৱহৃত বিভিন্ন সা-সঁজুলিৰ বিষয়ে অৱগত কৰাব পাৰিব।
- আদিম মানুহৰ স্থায়ী বাসস্থান সম্পৰ্কে ধাৰণা দিব পাৰিব।
- পশুপালনৰ প্ৰয়োজনীয়তা সম্পৰ্কে ধাৰণা স্পষ্ট কৰাব পাৰিব।

**<u>পৰামৰ্শমূলক শিক্ষণ-শিকন প্ৰক্ৰিয়া ঃ</u>**

**কাৰ্য নং- ১ ঃ** (অভিৰোচিত কাৰ্য)

শিক্ষকে আদিম মানুহৰ খাদ্য সংগ্ৰহ আৰু খেতিৰ আৱিষ্কাৰ সম্পৰ্কে ছাত্ৰ-ছাত্ৰীৰ সৈতে আলোচনা কৰিবৰ বাবে তলত দিয়া ধৰণৰ প্ৰশ্নসমূহ অৱতাৰণা কৰাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক অভিৰোচিত কৰাৰ প্ৰয়াস কৰিব পাৰে।

ক) আদিম মানুহৰ খাদ্য কি আছিল?

খ) আদিম মানুহে কেৱল হাবি-জংঘলৰ পৰা ফল-মূল বা খাদ্য সংগ্ৰহ কৰি আৰু চিকাৰ কৰিয়েই প্ৰয়োজনীয় খাদ্যৰ অভাৱ পূৰণ কৰিব পাৰিছিলনে?

গ) আদিম মানুহে কেনেদৰে খাদ্য সংগ্ৰহ কৰিছিল?

ঘ) চিকাৰৰ বাবে আদিম মানুহে কেনেকুৱা সজুঁলি ব্যৱহাৰ কৰিছিল?

ঙ) আদিম মানুহে কিয় দল বান্ধি ঘূৰি ফুৰিছিল?

চ) দল বান্ধি ঘূৰি ফুৰাৰ সময়ত আদিম মানুহে কি কথাৰ ওপৰত বিশেষ লক্ষ্য ৰাখিছিল?

উক্ত প্ৰশ্নসমূহৰ উত্তৰৰ আধাৰত শিক্ষকে খেতিৰ আৱিষ্কাৰ সম্পৰ্কে ধাৰণা দিবলৈ ছাত্ৰ-ছাত্ৰীক তলত দিয়া ধৰণৰ এটি ক্ৰিয়াকলাপ কৰিবলৈ দিব।

**কাৰ্য নং- ২ ঃ**

তলৰ ছবিকেইখন ভালদৰে পৰ্যবেক্ষণ কৰি ক্ৰম অনুসাৰে সজাবলৈ দিব। (গুটিৰ পৰা গছ হোৱালৈকে)




ছাত্ৰ-ছাত্ৰীয়ে সম্পাদন কৰা ক্ৰিয়াকলাপটোৰ আলমত প্ৰয়োজন সাপেক্ষে পৰিপুষ্টি দি ধাৰণাটো স্পষ্ট কৰিবলৈ যত্ন কৰিব।

**কাৰ্য নং- ৩ ঃ**

ছাত্ৰ-ছাত্ৰীসকলক কেইটামান দলত বিভক্ত কৰি পাঠ্যপুথি আৰু অন্যান্য প্ৰসংগ পুথি পঢ়ি তলত উল্লেখ কৰা প্ৰশ্নসমূহৰ উত্তৰ যুক্তিসহ যুগতাবলৈ দিব।

ক) আদিম মানুহে গুটিৰ পৰা গছ গজা কথাটো অনুমান কৰিব পাৰিছিলনে?

খ) যদি অনুমান কৰিছিল, তেওঁলোকেও নিজাববীয়াকৈ গছ-গছনি ৰোপন কৰিছিলনে? কেনেধৰণৰ গছ-গছনি ৰুইছিল?

গ) গছ-গছনি ৰোপনৰ পাছত তেওঁলোকে সেইবোৰ ৰক্ষণাৰেক্ষণ দিয়াৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিলনে?

ঘ) কেতিয়াৰ পৰা মানুহে একে ঠাইতে বহুদিনলৈ থাকিবলৈ লৈছিল?

ছাত্ৰ-ছাত্ৰীসকলৰ দলীয় কাৰ্য সম্পাদনৰ শেষত শিক্ষকে ক্ৰমান্বয়ে যে আদিম মানুহৰ জনসংখ্যা বৃদ্ধিৰ ফলত অধিক খাদ্যশস্যৰ প্ৰয়োজন হৈ আহিছিল আৰু আদিম মানুহে খাদ্যশস্য উৎপাদনৰ দিশে মন মেলিছিল অৰ্থাৎ খেতিৰ আৰম্ভণি কৰিছিল বুজাই ক'ব।

খেতিবাতি নিৰাপদে ৰখা, খেতিৰ যতন লোৱা, খেতিৰ মাটিত পানীৰ যোগান ধৰা ইত্যাদি কামৰ বাবে আদিম মানৱে কোনো ঠাইত স্থায়ীভাৱে বসতি কৰিবলৈ লোৱাৰ লগতে কৃষক হৈ পৰা কথা ছাত্ৰ-ছাত্ৰীক অৱগত কৰাব।

**কাৰ্য নং- ৪ ঃ**




শিক্ষকে উপৰোক্ত ছবিৰ সহায়ত তলত দিয়া ধৰণৰ প্ৰশ্নসমূহ কৰিব—

ক) ছবিকেইখন পৰ্যবেক্ষণ কৰি আদিম মানুহে গুটি সিঁচাৰ পৰা শস্য চপোৱালৈ অৰ্থাৎ সমগ্ৰ কামখিনি কৰোঁতে কিমান সময়ৰ প্ৰয়োজন হ'ব পাৰে?

খ) ধৰা হ'ল শস্য উৎপাদনৰ এই দীঘলীয়া প্ৰক্ৰিয়াটোত কৃষক হিচাপে তুমি জড়িত হৈছা। তেনেহ'লে গোটেই সময়ছোৱাত তুমি কি কি কাম কৰিবা, ক্ৰমানুসাৰে কোৱা।

ছাত্ৰ-ছাত্ৰীৰ উত্তৰৰ আধাৰত শিক্ষকে খাদ্য শস্য ৰক্ষণাৱেক্ষণৰ স্বাৰ্থতে যে আদিম মানুহে এঠাইত নিগাজিকৈ বাস কৰিবলৈ লৈছিল আৰু তেতিয়াৰ পৰা আদিম মানৱ যে কৃষক হৈ পৰিছিল সেই সম্পৰ্কে ব্যাখ্যা কৰি ধাৰণাটো স্পষ্ট কৰিব।

**কাৰ্য নং- ৫ ঃ**

**<u>খেতিৰ সঁজুলি ঃ</u>**

- শিক্ষকে আদিম মানুহৰ খেতিৰ সঁজুলি সম্পৰ্কে ধাৰণা দিয়াৰ বাবে ছাত্ৰ-ছাত্ৰীক পাঠ নং ১০ আৰু ১১ত থকা আদিম মানুহৰ শিলৰ সা-সঁজুলিৰ ছবিসমূহ পৰ্যৱেক্ষণ কৰি কোনবোৰ সঁজুলি কৃষি কাৰ্যত আৰু কোনবোৰ চিকাৰ কাৰ্যত ব্যৱহাৰৰ উপযোগী বুলি ভাৱে চিন্তা কৰি আঁকিবলৈ দিব আৰু তাৰ ওপৰত শ্ৰেণীকক্ষত মতামত আগবঢ়াবলৈ অনুপ্ৰাণিত কৰিব। শিক্ষকে আধুনিক খেতিৰ সজুঁলিৰ লগত আদিম মানৱে ব্যৱহাৰ কৰা খেতিৰ সজুঁলিৰ এটি তুলনামূলক ব্যাখ্যা আগবঢ়াব।

**কাৰ্য নং- ৬ ঃ**

শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক দুটা দলত বিভক্ত কৰি এটি তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰিব। তৰ্ক প্ৰতিযোগিতাৰ বিষয়টি হ'ল— "আদিম মানুহে কেৱল খাদ্যৰ বাবেহে পশুপালন কৰিছিল।"

তৰ্ক প্ৰতিযোগিতাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ পৰা পোৱা মতামতৰ ওপৰত আঁত ধৰি শিক্ষকে আদিম মানুহে কেনেদৰে খেতিৰ লগতে পশুপালনৰ লগত জড়িত হৈ পৰিছিল সেই বিষয়ে অৱগত কৰাব আৰু পশুপালনৰ প্ৰয়োজনীয়তা বিশেষকৈ মঙহ, গাখীৰ আদি খাদ্য জীৱ-জন্তুৰ পৰা লাভ কৰাৰ লগতে আদিম মানুহক চিকাৰ কাৰ্যত, ঘৰ পহৰা দিয়াত, যাতায়াতৰ কাম আদিত সহায়ক হৈছিল সেই বিষয়ে আলোচনাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক অৱগত কৰাব।

<u>**মোখনী ঃ**</u> মানৱ সভ্যতাৰ ক্ৰমবিকাশ আৰু বিৱৰ্তন সন্দৰ্ভত ধাৰণা দিবলৈ শিক্ষকে উল্লেখ কৰা ধৰণৰ কাৰ্যৰ সহায় লোৱাৰ লগতে আন আন উৎস তথা সমলৰ সহায় ল'ব পাৰে। সভ্যতাৰ ক্ৰমবিকাশৰ যাত্ৰাত সংঘটিত বিভিন্ন ঘটনা ক্ৰমৰ ধাৰণাই যাতে ছাত্ৰ-ছাত্ৰীৰ মনত ৰেখাপাত কৰিব পাৰে তাৰ ওপৰত লক্ষ্য ৰাখি শিক্ষকে বিভিন্ন ধৰণৰ মনোৰঞ্জনমূলক কাৰ্য ব্যৱস্থা গ্ৰহণ কৰাটো বাঞ্চনীয়।

<u>**আৰ্হি প্ৰশ্ন ঃ**</u>

১) খালী ঠাই পূৰ কৰা—

ক) জীৱ-জন্তুৰ ভিতৰত খাদ্য হিচাপে ব্যৱহাৰ কৰা .................. আৰু .................. প্ৰথম প্ৰতিপালন কৰা হৈছিল।

খ) খেতি কৰিবলৈ প্ৰথমে তেওঁলোকে .................. নিৰ্মিত কুঠাৰৰ দৰে অস্ত্ৰ ব্যৱহাৰ কৰিছিল।

২) উত্তৰ দিয়া—

ক) আদিম মানুহে পশুপালনৰ পৰা কি কি সুবিধা লাভ কৰিছিল তাৰ এখন তালিকা কৰা।

খ) আদিম মানুহে কেনেকৈ স্থায়ীভাৱে থাকিবলৈ শিকিলে?

গ) আদিম মানুহ কেনেকৈ কৃষক হৈ পৰিল?

ঘ) আদিম মানুহ কেনেকৈ পশুপালক হৈ পৰিল?

**৩)** ক) আদিম যুগৰ কৃষি কাৰ্যৰ সৈতে বৰ্তমানৰ কৃষি কাৰ্যৰ এটা তুলনামূলক ধাৰণা গঢ়ি তুলিবলৈ ছাত্ৰ-ছাত্ৰীক দলত আলোচনা কৰি তলত দিয়া তালিকাখন সম্পূৰ্ণ কৰিবলৈ দিব।

| বিষয় | বৰ্তমান যুগৰ | আদিম যুগৰ |
|---|---|---|
| খেতিৰ সঁজুলি কিহেৰে নিৰ্মিত | | |
| খেতিৰ উৎপাদিত সামগ্ৰী | | |
| খাদ্য শস্য সংৰক্ষণ ব্যৱস্থা | | |

খ) ছাত্ৰ-ছাত্ৰীক বিভিন্ন উৎসৰ জৰিয়তে প্ৰাচীন যুগৰ কৃষি কাৰ্য প্ৰণালী সম্পৰ্কে জানিবলৈ উৎসাহিত কৰিব আৰু সেইবোৰৰ ওপৰত এটি টোকা প্ৰস্তুত কৰিবলৈ দিব।

গ) ছাত্ৰ-ছাত্ৰীৰ মাজত তলত উল্লেখ কৰা ধৰণৰ বিষয়বোৰৰ ওপৰত আকস্মিক বক্তৃতা অনুষ্ঠিত কৰিব।

বিষয়সমূহ — খেতিৰ আৱিষ্কাৰ, কৃষি কাৰ্য, খেতিৰ সঁজুলি, বাসস্থান, পশুপালন, চিকাৰ কাৰ্য, আদিম মানৱ, খাদ্য সংৰক্ষণ ব্যৱস্থা, খাদ্যাভ্যাস ইত্যাদি।

<u>**প্ৰসংগ পুথি—**</u>

১) সমাজ বিজ্ঞান (প্ৰথম ভাগ) SCERT, Assam.

২) Self Instructional Package in Social Sciences for Upper Primary Teachers, NCERT, New Delhi, October, 2009 (1st Edition).

**সমল নং ঃ ২**

## শ্ৰেণী-ষষ্ঠ
## বিষয়- সমাজ বিজ্ঞান

### <u>প্ৰাসংগিক শিকন ঘাটি ঃ</u>

- হৰপ্পা সংস্কৃতিৰ সৰহভাগ মানুহৰ জীৱিকা কি আছিল?
- নীল নদীৰ পাৰত গঢ়ি উঠা সভ্যতাটোৰ নাম কি?

### <u>শিকন ফলাফল ঃ</u>

আদিম যুগৰ বিভিন্ন উত্তৰণসমূহ যেনে-চিকাৰ আৰু খাদ্য সংগ্ৰহৰ স্তৰ, খেতিৰ আৰম্ভণি স্তৰ, সিন্ধু উপত্যকাৰ প্ৰথম নগৰৰ উত্থান আদিৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব আৰু সমসাময়িক স্থানবোৰৰ উত্তৰণৰ সৈতে সম্পৰ্ক নিৰ্ণয় কৰিব পাৰিব।

### <u>আনুষংগিক শিকন ফলাফল ঃ</u>

- প্ৰাচীন সভ্যতাসমূহৰ বিষয়ে ক'ব পাৰিব।
- সিন্ধু উপত্যকাৰ প্ৰথম নগৰ সভ্যতাৰ উত্থান সম্পৰ্কে আলোচনা কৰিব পাৰিব।
- হৰপ্পা সংস্কৃতিৰ জীৱিকা সম্পৰ্কে বৰ্ণনা কৰিব পাৰিব।

### <u>অধ্যায় ঃ ষষ্ঠ শ্ৰেণীৰ সংগতিপূৰ্ণ পাঠসমূহ</u>

যেনে— আদিম মানুহৰ অৰ্থনৈতিক কাৰ্যকলাপ আৰু স্থায়ী বসবাস, (পাঠ নং-১১),
প্ৰাচীন নগৰীয়া সভ্যতা, (পাঠ নং-১২)

### <u>এই অংশৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতাসমূহ ঃ</u>

- সিন্ধু উপত্যকাৰ সভ্যতাৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব।
- প্ৰাচীন নগৰ সম্বন্ধে আলোচনা কৰিব পাৰিব।
- হৰপ্পা সংস্কৃতি সম্বন্ধে জনাৰ উপৰি পৃথিৱীৰ অন্যান্য সমসাময়িক সভ্যতাসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব।

### <u>পাতনি ঃ</u>

নৱপ্ৰস্তৰ যুগতে আদিম মানুহে কৃষি কাৰ্যত জড়িত হৈ অঘৰী জীৱন বাদ দি নিগাজীকৈ গাঁও পাতি বাস কৰিবলৈ লৈছিল। সাধাৰণতে একোখন গাঁও নৈৰ পাৰতেই গঢ় লৈ উঠিছিল। অৰ্থাৎ মানৱ সভ্যতাৰ বিকাশ একোখন নদীক কেন্দ্ৰ কৰি গঢ়ি উঠিছিল। যেনে- সিন্ধু উপত্যকাৰ সভ্যতাৰ ক্ষেত্ৰত সিন্ধু নদী, মিছৰীয় সভ্যতাৰ ক্ষেত্ৰত নীল নদী, বেবিলনীয় সভ্যতাৰ ক্ষেত্ৰত ইউফ্ৰেটাচ আৰু ট্ৰাইগ্ৰীছ নদী, চীনা সভ্যতাৰ ক্ষেত্ৰত হোৱাংহো নদী আদি। শস্য উৎপাদন কৰিবলৈ তথা জীৱ-জন্তু লালন পালন কৰাকে ধৰি মানুহৰ দৈনন্দিন কাম-কাজৰ বাবে পানী অপৰিহাৰ্য। ইয়াৰোপৰি প্ৰাচীন কালত নদীয়েই যোগাযোগ আৰু যাতায়াতৰ মাধ্যম আছিল। পৃথিৱীৰ প্ৰাচীন সভ্যতাসমূহ উদাহৰণস্বৰূপে সিন্ধু উপত্যকাৰ সভ্যতা, মিছৰীয় সভ্যতা, চীনা সভ্যতা আদিৰ উত্থান সমসাময়িক আছিল বুলি অনুমান কৰা হৈছে। উল্লেখনীয় যে এই আটাইকেইটা সভ্যতাৰ মাজত বেপাৰ বাণিজ্য আৰু যোগাযোগৰ ব্যৱস্থাও আছিল।

ইয়াৰোপৰি প্ৰতিটো সভ্যতাৰে নিজা নিজা ধৰ্মীয় বিশ্বাস, সমাজ ব্যৱস্থা আদিও আছিল। বিশেষকৈ সিন্ধু উপত্যকাৰ সভ্যতাতে আইন ব্যৱস্থা, সমাজ ব্যৱস্থা, ৰাজনৈতিক ব্যৱস্থাৰ লগতে উন্নত তথা পৰিকল্পিত নগৰৰ ব্যৱস্থাও আছিল বুলি ইতিহাসৰ বিভিন্ন সমল অধ্যয়নৰ জৰিয়তে জানিব পৰা গৈছে। সিন্ধু উপত্যকা সভ্যতাৰ উন্নত নগৰ পৰিকল্পনাৰ উৎকৃষ্ট নিদৰ্শন আছিল হৰপ্পা আৰু মহেঞ্জোদাৰো নামৰ চহৰ দুখন। হৰপ্পা আৰু মহেঞ্জোদাৰোৰ ভগ্নাৱশেষ সমূহেই এনে উন্নত নগৰ পৰিকল্পনাৰ নিদৰ্শন আমাৰ আগত দাঙি ধৰে।

'হৰপ্পা সংস্কৃতি' সিন্ধু উপত্যকা সভ্যতাৰ আন এটা নাম। প্ৰত্নতত্ত্ববিদসকলে প্ৰাচীন ভগ্নাৱশেষবোৰৰ ওপৰত অধ্যয়ন চলাই একমত হৈছে যে আজিৰ পৰা প্ৰায় চাৰি হাজাৰ পাঁচশ বছৰৰ আগতে ভাৰত উপ-মহাদেশৰ সিন্ধু নদীৰ পাৰত সিন্ধু উপত্যকাৰ সভ্যতা গঢ়ি উঠিছিল। ১৯২২ চনত মহেঞ্জোদাৰো আৰু হৰপ্পা নামৰ দুখন চহৰ এই উপত্যকাত আৱিষ্কাৰ হৈছিল। খনন কাৰ্যত হৰপ্পা চহৰখন প্ৰথমতে আৱিষ্কাৰ হৈছিল, সেইবাবে আন আন ঠাইত উদ্ধাৰ হোৱা ভগ্নাৱশেষবোৰ হৰপ্পা সংস্কৃতিৰ অন্তৰ্ভুক্ত আছিল বুলি অনুমান কৰা হয়। পৰৱৰ্তী পৰ্যায়ত বিভিন্ন ঠাই যেনে-লোথাল, কালিবাংগান আদিত উদ্ধাৰ হোৱা সামগ্ৰীসমূহলৈ চাই এইসমূহ ঠাইও হৰপ্পা সংস্কৃতিৰ অন্তৰ্ভুক্ত আছিল বুলি ইতিহাসবিদসকলে মতপোষণ কৰে। সিন্ধু উপত্যকাৰ সভ্যতাক হৰপ্পা সংস্কৃতি বুলিও জনা যায়।

## <u>পৰামৰ্শমূলক শিক্ষণ-শিকন প্ৰক্ৰিয়া ঃ</u>

### কাৰ্য নং - ১ ঃ (অভিৰোচিত কাৰ্য)

শিক্ষকে ছাত্ৰ-ছাত্ৰীক অভিৰোচিত কৰিবৰ বাবে তলত দিয়া ধৰণৰ প্ৰশ্নসমূহৰ অৱতাৰণা কৰিব পাৰে।

১) তোমাৰ পৰিয়ালৰ মূল জীৱিকা কি?

২) পৰিয়ালৰ অন্যান্য ব্যক্তিসকলৰ জীৱিকাসমূহ কি কি উল্লেখ কৰা।

৩) তোমাৰ ককা বা আজো-ককাৰ জীৱিকা এতিয়াৰ দৰে একেই আছিলনে?

৪) তোমাৰ অঞ্চলৰ সৰহভাগ মানুহৰ প্ৰধান জীৱিকা কি?

ছাত্ৰ-ছাত্ৰীৰ সহাঁৰিৰ আলমত শিক্ষকে জীৱিকাৰ অবিহনে যে মানুহৰ জীৱন অচল সেই সম্পৰ্কে থূলমূল আভাস দিব আৰু ছাত্ৰ-ছাত্ৰীক মূল কাৰ্যৰ প্ৰতি অগ্ৰসৰ কৰাব।

### কাৰ্য নং - ২ ঃ

জীৱিকাৰ ওপৰত ছাত্ৰ-ছাত্ৰীসকলৰ ধাৰণা স্পষ্ট কৰিবৰ কাৰণে তেওঁলোকক দলত বিভক্ত কৰি পাঠত থকা পৃষ্ঠা নং ১০০ আৰু ১০১ৰ বৰ্ণনাখিনি অধ্যয়ন কৰি একোটাকৈ টোকা প্ৰস্তুত কৰিবলৈ দিব আৰু দল অনুযায়ী শ্ৰেণীকক্ষত উপস্থাপন কৰাব। শিক্ষকে প্ৰয়োজন সাপেক্ষে ছাত্ৰ-ছাত্ৰীৰ উপস্থাপনৰ ওপৰত নিজৰ মতামত আগবঢ়াব পাৰে, লগতে হৰপ্পা সভ্যতাৰ মূল জীৱিকাৰ ওপৰত আলোকপাত কৰি তলত দিয়া ধৰণৰ প্ৰশ্নসমূহৰ অৱতাৰণা কৰিব পাৰে।

১) হৰপ্পা সংস্কৃতিৰ কৃষকসকলে পোন প্ৰথমে কি খেতি কৰিছিল?

২) সা-সামগ্ৰী কঢ়িয়াবলৈ সেই সময়ৰ মানুহে কি কি প্ৰাণী ব্যৱহাৰ কৰিছিল?

৩) হৰপ্পা সভ্যতাত ব্যৱহৃত মোহৰ, মণি আদি কোন সমসাময়িক সভ্যতাত পোৱা গৈছিল?

৪) খনন কাৰ্যত উদ্ধাৰ হোৱা হৰপ্পা শিল্পকলাৰ সামগ্ৰীসমূহ কি কি ধাতুৰে গঢ়া আছিল?

### কাৰ্য নং - ৩ ঃ

ছাত্ৰ-ছাত্ৰীসকলক দলত ভাগ কৰি পাঠ্যপুথিৰ ৯৮ নং পৃষ্ঠাত থকা মানচিত্ৰখন উলিয়াই ল'বলৈ ক'ব। মানচিত্ৰৰ কাষৰ বৰ্ণনাখিনি ভালদৰে পঢ়িবলৈ দি শিক্ষকে নিম্নলিখিত ধৰণৰ প্ৰশ্ন উত্থাপন কৰিব—

১) মানচিত্ৰত থকা নদী কেইখনৰ নাম কি?

২) মানচিত্ৰত থকা কোনখন নদী বৰ্তমান ভাৰতৰ অন্তৰ্গত?

৩) সিন্ধু নদী উপত্যকাত আৱিষ্কাৰ হোৱা চহৰ দুখনৰ নাম কি কি?

৪) কোনকেইখন নদী বৰ্তমান ভাৰতৰ অন্তৰ্গত নহয়?

৫) খনন কাৰ্যত প্ৰথমে কোনখন চহৰ আৱিষ্কাৰ হৈছিল?

প্ৰশ্নবোৰৰ উত্তৰৰ আলমত শিক্ষকে পৃথিৱীৰ নদীসমূহৰ অপৰিসীম গুৰুত্ব সম্পৰ্কে আলোকপাত কৰিব। আদিম মানুহে এই নদীবোৰৰ পাৰতেই যে বসতি আৰম্ভ কৰিছিল সেই কথাও ছাত্ৰ-ছাত্ৰীক অৱগত কৰাব। সিন্ধু নদীৰ পাৰৰ হৰপ্পা সংস্কৃতিৰ বিভিন্ন দিশ যেনে- নগৰ পৰিকল্পনা, ধৰ্মীয় বিশ্বাস, বেপাৰ-বাণিজ্য, শিল্পকলা আৰু জীৱিকাৰ ওপৰত বিতংভাৱে আলোচনা কৰিব। যদিও হৰপ্পা সংস্কৃতি নগৰীয়া সভ্যতা আছিল; তথাপি তাত মানুহৰ প্ৰধান জীৱিকা আছিল কৃষি আৰু পশুপালন। ইয়াৰোপৰি তাৰ মানুহবোৰে ঘৰ সজা, ইটা তৈয়াৰ কৰা, বাচন বৰ্তন, আ-অলংকাৰ প্ৰস্তুত কৰা, কাপোৰ বোৱা আদি কামৰ জৰিয়তেও জীৱিকা নিৰ্বাহ কৰিছিল।

উপৰোক্ত দিশত ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতিৰ মূল্যায়ন কৰিবলৈ শিক্ষকে তলৰ প্ৰশ্নবোৰৰ সহায় ল'ব পাৰে।

১) প্ৰত্নতত্ববিদসকলে প্ৰাচীন ভগ্নাৱশেষসমূহ অধ্যয়ন কৰি কিমান বছৰৰ আগতে সিন্ধু উপত্যকাৰ সভ্যতা গঢ়ি উঠা বুলি অনুমান কৰিছিল?

২) সিন্ধু উপত্যকাত আৱিষ্কাৰ হোৱা চহৰ দুখনৰ নাম কি?

৩) সিন্ধু নদীখন ভাৰতৰ কোন দিশত?

৪) সিন্ধু উপত্যকাৰ সভ্যতাক ইতিহাসত কিয় হৰপ্পা সংস্কৃতি বুলিও কোৱা হয়?

৫) হৰপ্পা সংস্কৃতিৰ মানুহবোৰৰ জীৱিকা কি আছিল?

ছাত্ৰ-ছাত্ৰীৰ উত্তৰৰ আলমত গোটেই বিষয়টোৰ ওপৰত এটি স্পষ্ট ধাৰণা দিয়াৰ প্ৰয়াস কৰিব।

## কাৰ্য নং - ৪ ঃ

শিক্ষকে ছাত্ৰ-ছাত্ৰীক সিন্ধু উপত্যকাৰ সভ্যতাৰ সমসাময়িক আন আন সভ্যতাসমূহৰ বিষয়ে জানিবলৈ দি তুলনামূলক অধ্যয়নত অগ্ৰসৰ হ'বলৈ অনুপ্ৰাণিত কৰিব। ইয়াৰ উপৰি সিন্ধু উপত্যকাৰ সম-সাময়িকভাৱে চীন, ইজিপ্তত যে প্ৰাচীন সভ্যতা গঢ় লৈ উঠিছিল সেই বিষয়ে ছাত্ৰ-ছাত্ৰীক অৱগত কৰাব। লগতে শিক্ষকে পৃথিৱীৰ মানচিত্ৰৰ সহায়ত বৰ্তমান সেই ঠাইবোৰ কোন কোন স্থানত অৱস্থিত সেই ধাৰণাটো দিবলৈ যত্ন কৰিব।

## মোখনী ঃ

মানৱ সভ্যতাৰ ক্ৰমবিকাশৰ ধাৰাত মানুহৰ জীৱিকাৰ মূল চালিকা শক্তি হিচাপে বিবেচিত হৈ আহিছে। এই সমলৰ আধাৰত শিক্ষকে উল্লিখিত ধৰণৰ কাৰ্যসমূহৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীক মানৱ সভ্যতা বিকাশৰ ভিন ভিন সময়ত মানুহৰ সমাজ জীৱন, জীৱন ধাৰণৰ প্ৰক্ৰিয়া, বেপাৰ বাণিজ্য, শিল্পকলা আদি সন্দৰ্ভত স্পষ্ট ধাৰণা দিয়াৰ প্ৰয়াস কৰিব। সিন্ধু উপত্যকাৰ সভ্যতা আৰু আন আন সমসাময়িক সভ্যতাবোৰৰ ওপৰত সঠিক আৰু তথ্যভিত্তিক আলোচনা আৰু ক্ৰিয়াকলাপ অনুষ্ঠিত কৰিবলৈ আন আন প্ৰাসংগিক সমলৰ সহায় লোৱাটো প্ৰয়োজনীয়।

## আৰ্হি প্ৰশ্ন ঃ

১) সোঁফালৰ লগত বাওঁফাল মিলোৱা—

| বাওঁফাল | সোঁফাল |
|---|---|
| ক) বেবিলনীয় সভ্যতা | ক) হোৱাংহো আৰু ইয়াংচিকিয়াং |
| খ) সিন্ধু উপত্যকাৰ সভ্যতা | খ) টাইগ্ৰিচ আৰু ইউফ্ৰেটাচ নদী। |
| গ) মিচৰীয় সভ্যতা | গ) সিন্ধু নদী |
| ঘ) চীনা সভ্যতা | ঘ) নীল নদী |

২) সিন্ধু উপত্যকাৰ বিভিন্ন বিষয়ৰ ছবি অংকন কৰি এটি এলবাম প্ৰস্তুত কৰা।

৩)  শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক দুটা দলত ভাগ কৰি পাঠ্যপুথিত উল্লিখিত মহেঞ্জোদাৰো আৰু হৰপ্পা নগৰ পৰিকল্পনাৰ সৈতে বৰ্তমানৰ নগৰ পৰিকল্পনাৰ সাদৃশ্য-বৈসাদৃশ্য লিখা।

৪) দলগতভাৱে তলৰ তালিকাখন পূৰ কৰা—

| জীৱিকা | কাম-কাজ |
|---|---|
| কৃষক | ............................ |
| বাঢ়ৈ | ............................ |
| বনিক | ............................ |
| শিপিনী | ............................ |

## আৰ্হি প্ৰশ্ন ঃ

৫) চমু উত্তৰ দিয়া ঃ

- সিন্ধু নদীৰ উপত্যকাৰ বিস্তৃতিৰ ওপৰত এখন মানচিত্ৰ অংকন কৰা।
- প্ৰাচীন সভ্যতাসমূহ কিয় নদীৰ পাৰত গঢ় লৈ উঠিছিল? মতামত আগবঢ়োৱা।
- প্ৰাচীন নগৰীয়া সভ্যতা কেইটা কি কি?
- সিন্ধু উপত্যকাৰ সভ্যতাত কি ধাতুৰ ব্যৱহাৰ হোৱা নাছিল?

৬) নিম্ন লিখিত বিষয়বস্তুবোৰৰ ওপৰত আকস্মিক বক্তৃতা অনুষ্ঠিত কৰা—

- ধৰ্মীয় বিশ্বাস,
- জীৱিকা,
- বেপাৰ-বাণিজ্য,
- শিল্প কলা,
- পশুপালন,
- চকাৰ আৱিষ্কাৰ,
- গাঁৱৰ উৎপত্তি,
- সিন্ধু নদী,
- নগৰীয়া সভ্যতা,
- হৰপ্পা সংস্কৃতি,
- চীন সভ্যতা,
- নদী।

---

শ্ৰেণী-সপ্তম

বিষয়- সমাজ বিজ্ঞান

সমল নং ঃ ৩

**প্ৰাসংগিক শিকন ঘাটি ঃ**

চোল সাম্ৰাজ্যৰ ৰাজধানী কি আছিল?

**শিকন ফলাফল ঃ**

ইতিহাসৰ ভিন ভিন সময়ৰ অধ্যয়নৰ ক্ষেত্ৰত উল্লেখযোগ্য ঘটনা-পৰিঘটনা তথা অন্যান্য উৎসসমূহ উদাহৰণসহ আলোচনা কৰিব পাৰিব।

**আনুষংগিক শিকন ফলাফল ঃ**

- প্ৰাচীন ভাৰতৰ ৰাজনৈতিক পটভূমিৰ বিষয়ে আভাস পাব। গুপ্ত যুগৰ পৰৱৰ্তী ভাৰতবৰ্ষৰ ৰাজনৈতিক উত্থানৰ বিষয়ে জানিব।
- থানেশ্বৰ, ৰাষ্ট্ৰকূট, পল্লৱ আৰু চোল সাম্ৰাজ্যৰ ভৌগোলিক অৱস্থিতিৰ বিষয়ে জানিব।
- প্ৰশাসনিক, সামাজিক, সাংস্কৃতিক ক্ষেত্ৰত উল্লিখিত ৰাজবংশবোৰৰ উল্লেখযোগ্য অৱদানৰ বিষয়ে অৱগত হ'ব।

**অধ্যায় ঃ** সপ্তম শ্ৰেণীৰ পাঠ্যপুথিৰ সংগতিপূৰ্ণ অধ্যায়সমূহ। যেনে-মৌৰ্য যুগৰ পৰৱৰ্তী ভাৰতবৰ্ষ, গুপ্ত সাম্ৰাজ্যৰ উত্থান আৰু গুপ্তযুগৰ পৰৱৰ্তী ভাৰতবৰ্ষ।

**পাতনি ঃ**

প্ৰাচীন ভাৰতৰ বিভিন্ন অঞ্চলত ভিন ভিন ৰাজশক্তিসমূহে ভিন ভিন সময়ত ৰাজ্য স্থাপন কৰি শাসন কাৰ্য চলাইছিল। প্ৰশাসনিক, সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক ক্ষেত্ৰত এই ৰাজশক্তিসমূহৰ অৱদান আছিল প্ৰশংসনীয়। মৌৰ্যযুগৰ পৰৱৰ্তী কালত ৰাজত্ব কৰা উল্লেখযোগ্য ৰাজবংশসমূহ হ'ল— মগধত গুপ্তবংশ, দক্ষিণ ভাৰতত সাতবাহন আৰু কলিংগত চেদী বংশ। ইয়াৰোপৰি সেই সময়ত কিছুমান বিদেশী শক্তি যেনে- ইণ্ডো-গ্ৰীক, পাৰ্থিয়ান, কুশানসকলেও ভাৰতবৰ্ষলৈ আহি সুকীয়া সুকীয়াকৈ ৰাজ্য স্থাপন কৰি নিগাজিকৈ থাকিবলৈ লৈছিল। খ্ৰীষ্টীয় তৃতীয় শতিকাত গুপ্ত ৰাজবংশই মগধক কেন্দ্ৰ কৰি সৰু সৰু ৰাজ্যবোৰক একত্ৰিকৰণেৰে গুপ্ত সাম্ৰাজ্যৰ প্ৰতিষ্ঠাৰ পথ মুকলি কৰিছিল। এই ৰাজবংশৰ প্ৰখ্যাত ৰজা দ্বিতীয় চন্দ্ৰগুপ্তৰ শাসনকালত সেই সময়ৰ ভাৰতবৰ্ষৰ বিভিন্ন দিশত অভূতপূৰ্ব উত্তৰণ ঘটিছিল। খ্ৰীষ্টীয় পঞ্চম শতিকাৰ মাজভাগত গুপ্ত সাম্ৰাজ্যৰ পতনৰ সময়ত ভাৰতবৰ্ষৰ ৰাজনৈতিক একতা অক্ষুণ্ন ৰাখিব পৰা কোনো বিশেষ ৰাজবংশৰ উত্থান হোৱা নাছিল। ফলস্বৰূপে সমগ্ৰ দেশত কিছুমান সৰু সৰু স্বাধীন ৰাজ্যৰ পুনৰুত্থান ঘটিছিল। এই ৰাজ্যসমূহৰ ভিতৰত কেইখনমান উল্লেখযোগ্য ৰাজ্য আছিল থানেশ্বৰ, পল্লৱ, ৰাষ্ট্ৰকূট আৰু চোল। থানেশ্বৰ ৰাজ্যৰ এজন প্ৰৱল প্ৰতাপী ৰজা আছিল হৰ্ষবৰ্ধন যাক শিলাদিত্য নামেৰেও জনা যায়। উল্লেখযোগ্য যে প্ৰাচীন কামৰূপ ৰাজ্যৰ ৰজা ভাস্কৰ বৰ্মনৰ লগত হৰ্ষবৰ্ধনৰ সু-সম্পৰ্ক আছিল। সেই সময়ৰ উত্তৰ ভাৰতত অৱস্থিত থানেশ্বৰ ৰাজ্যৰ ৰাজধানী আছিল কনৌজ। ঠিক সেইদৰে কাঞ্চী, মান্যখেটা, তাঞ্জোৰ ক্ৰমে পল্লৱ, ৰাষ্ট্ৰকূট আৰু চোল ৰাজ্যৰ ৰাজধানী আছিল আৰু এই ৰাজ্যসমূহৰ অৱস্থিতি আছিল দক্ষিণ ভাৰত বা দাক্ষিণাত্যত। সেই সময়ৰ প্ৰশাসনিক আৰু সাংস্কৃতিক দিশত এই ৰাজবংশসমূহে বিশেষ উল্লেখযোগ্য অৱদান আগবঢ়াইছিল। উদাহৰণ স্বৰূপে চোলসকলৰ স্বায়ত্ব শাসন (যাক আধুনিক ভাৰতত পঞ্চায়তীৰাজ ব্যৱস্থা বুলি জনা যায়) ব্যৱস্থা, ৰাষ্ট্ৰকূটসকলে নিৰ্মাণ কৰা ইলোৰাৰ কৈলাশনাথ মন্দিৰ, পল্লৱসকলে নিৰ্মাণ কৰা মহাবলীপুৰমৰ মন্দিৰসমূহ ইত্যাদি।

**এই অংশৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতাসমূহ ঃ**

- গুপ্তযুগৰ পৰৱৰ্তী ভাৰতবৰ্ষৰ ৰাজনৈতিক পটভূমিৰ বিষয়ে ধাৰণা দিব পাৰিব।
- উত্তৰ আৰু দক্ষিণ ভাৰতত উত্থান হোৱা ৰাজবংশসমূহৰ পৰিচয় দাঙি ধৰিব।
- ৰাজবংশসমূহৰ প্ৰশাসনিক আৰু সাংস্কৃতিক অৱদানৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব।

**পৰামৰ্শমূলক শিক্ষণ-শিকন প্ৰক্ৰিয়া ঃ**

**কাৰ্য নং- ১ ঃ**

(অভিৰোচিত কাৰ্য) শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ মনোযোগ আকৰ্ষণৰ বাবে কাগজৰ টুকুৰাত আধুনিক ভাৰতৰ কেইখনমান ৰাজ্যৰ নাম লিখি ছাত্ৰ-ছাত্ৰীৰ মাজত বিতৰণ কৰি ছাত্ৰ-ছাত্ৰীক সেই ৰাজ্যবোৰৰ ৰাজধানী আৰু এটা উল্লেখযোগ্য বৈশিষ্ট্যৰ ওপৰত চমু আভাস দাঙি ধৰিবলৈ আহ্বান জনাব। শিক্ষকে শ্ৰেণীকোঠাত ভাৰতৰ মানচিত্ৰ (ডাঙৰ) এখন আঁৰি দি ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ ভাগত পৰা ৰাজ্য আৰু তাৰ ৰাজধানীখন মানচিত্ৰত নিৰ্ণয় কৰিবলৈ দিব পাৰে।

**কাৰ্য নং- ২ ঃ**

এইবাৰ শিক্ষকে পাঠ্যপুথিৰ ১১৩ নং পৃষ্ঠাত থকা গুপ্তৰ পৰৱৰ্তী যুগৰ আনুমানিক মানচিত্ৰখন দলত পৰ্যবেক্ষণ কৰিবলৈ দি নিম্নলিখিত প্ৰশ্নসমূহ অৱতাৰণা কৰিব—

- মানচিত্ৰৰ সোঁমাজত থকা পৰ্বতখনৰ নাম কি?
- এই পৰ্বতখনৰ উত্তৰে থকা এখন ঠাই আৰু এখন নদীৰ নাম কোৱা।
- পৰ্বতখনৰ দক্ষিণে থকা এখন ঠাই আৰু নদী চিনাক্ত কৰা।
- মানচিত্ৰৰ উত্তৰ-পূব দিশত থকা ৰাজ্যখনৰ নাম কি কোৱা?
- আমাৰ ৰাজ্য অসমখনৰ অৱস্থিতি মানচিত্ৰৰ কোন দিশত নিৰ্ণয় কৰা।

এনেধৰণৰ কাৰ্যৰ আলমত শিক্ষকে ছাত্ৰ-ছাত্ৰীক মানচিত্ৰ অধ্যয়নৰ প্ৰতি উৎসাহিত কৰাৰ সমান্তৰালকৈ প্ৰাকৃতিক, ভৌগলিক আৰু ঐতিহাসিক কাৰক সমূহৰ সৈতে পৰিচয় কৰোৱাৰ প্ৰয়াস কৰিব।

**কাৰ্য নং- ৩ ঃ**

শিক্ষকে ছাত্ৰ-ছাত্ৰীক দলত ভাগ কৰি দুয়োখন মানচিত্ৰ পৰ্যবেক্ষণ কৰি পাঠ্যপুথিৰ মানচিত্ৰখনত তলত উল্লেখ কৰা (বৰ্তমানৰ) ঠাইসমূহ আৰু নদীখনৰ অৱস্থিতি নিৰ্ণয় কৰিবলৈ দিব পাৰে।

- গুৱাহাটী
- ছিলং
- কলকাতা
- দিল্লী
- বাঙ্গালুৰু
- কেৰেলা
- মুম্বাই
- ব্ৰহ্মপুত্ৰ নদী

বিভিন্ন স্থান, নদী, পৰ্বত আদিৰ অৱস্থিতি নিৰ্ধাৰণ কৰাৰ ক্ষেত্ৰত যে মানচিত্ৰই সহায় কৰে সেই বিষয়ে ছাত্ৰ-ছাত্ৰীৰ মনত ধাৰণা স্পষ্ট কৰিবলৈ শিক্ষকে উল্লিখিত ধৰণৰ কাৰ্যৰ সহায় ল'ব পাৰে।

**কাৰ্য নং- ৪ ঃ**

ছাত্ৰ-ছাত্ৰীৰ পৰা পোৱা সহঁাৰিৰ পিছত শিক্ষকে ভাৰতবৰ্ষৰ মানচিত্ৰৰ সহায়ত বিন্ধ্য পৰ্বতে যে ভাৰতবৰ্ষক ভৌগোলিকভাৱে উত্তৰ ভাৰত আৰু দক্ষিণ ভাৰত হিচাপে বিভক্ত কৰিছে সেই সম্পৰ্কে থুলমূল আভাস দিব। ভাৰতবৰ্ষৰ দুয়োটা ভাগৰ ভৌগোলিক অৱস্থিতিৰ ধাৰণা স্পষ্ট কৰি শিক্ষকে পাঠ্যপুথিৰ আলমত প্ৰাচীন ভাৰতৰ দুয়ো অংশত ৰাজত্ব কৰা কেইটামান উল্লেখযোগ্য ৰাজবংশ যেনে-থানেশ্বৰ, পল্লৱ, ৰাষ্ট্ৰকূট আৰু চোলৰ বিষয়ে আলোচনা কৰিব। (এই অংশৰ বাবে ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা সৰব পঠনৰ আলম ল'ব পাৰে) পাঠৰ আলমত সৰু সৰু প্ৰশ্নৰ অৱতাৰণা কৰিব পাৰে যেনে-

- কনৌজ কোন ৰাজ্যৰ ৰাজধানী আছিল?

- রাষ্ট্ৰকূটসকলে নিৰ্মাণ কৰা এটা বিখ্যাত মন্দিৰৰ নাম কি?
- মহাবলীপুৰমৰ মন্দিৰসমূহ কোনে নিৰ্মাণ কৰিছিল?
- কোন ৰাজ্যত প্ৰথমে স্বায়ত্ব শাসন ব্যৱস্থাৰ সূচনা কৰা হৈছিল?
- চোলসকলৰ এক উল্লেখনীয় ভাস্কৰ্য কি?

**কাৰ্য নং- ৫ ঃ**

ছাত্ৰ-ছাত্ৰীসকলক চাৰিটা দলত ভাগ কৰি প্ৰতিটো দলক দুয়োখন মানচিত্ৰ পৰ্যবেক্ষণ কৰি থানেশ্বৰ, পল্লৱ, ৰাষ্ট্ৰকূট আৰু চোল ৰাজ্য আৰু তাৰ ৰাজধানীৰ অতীত আৰু বৰ্তমানৰ অৱস্থিতি নিৰ্ণয় কৰি দলৰ মাজত দুয়োটা অৱস্থিতিৰ তথ্য আলোচনা কৰিবলৈ দি শ্ৰেণীকোঠাত উপস্থাপন কৰাৰ অৱকাশ দি শিক্ষকে চোল ৰাজ্যৰ বিষয়ে কেইটামান অতিৰিক্ত তথ্য তলত দিয়া ধৰণে প্ৰদান কৰিব পাৰে—

চোল ৰাজ্যৰ ৰাজধানী তাঞ্জোৰক বৰ্তমান থাঞ্জাভোৰ (Thanjavur) বুলি কোৱা হয় আৰু ই তামিলনাডু চহৰৰ পূব উপকূলত অৱস্থিত। ইয়াত চোলসকলে নিৰ্মাণ কৰা স্থাপত্য কলাৰ অন্যতম নিদৰ্শন ‘ৰাজ ৰাজেশ্বৰ’ মন্দিৰ আছে। ইয়াৰোপৰি তেওঁলোকে নিৰ্মাণ কৰা বহুতো তামিল মন্দিৰ আছে যিসমূহ বৰ্তমান বিশ্ব ঐতিহ্য কীৰ্তিচিহ্ন হিচাপে পৰিগণিত হৈছে।

**কাৰ্য নং- ৬ ঃ**

শিক্ষকে পুনৰ পাঠ্যপুথিৰ ১২ নং অধ্যায়ৰ ১১৮ আৰু ১১৯ পৃষ্ঠাত থকা চোল সাম্ৰাজ্যৰ বিৱৰণখিনি ছাত্ৰ-ছাত্ৰীক দলত পঢ়িবলৈ দি তলৰ প্ৰশ্নসমূহৰ অৱতাৰণা কৰিব পাৰে—

- চোল সাম্ৰাজ্যৰ ৰাজধানীখনৰ নাম কি আছিল? বৰ্তমান ইয়াক কি নামেৰে জনা যায়?
- চোল বংশৰ কোনজন ৰজাই গাঁওসমূহক স্বায়ত্ব শাসন প্ৰদান কৰিছিল?
- চোল বংশৰ শ্ৰেষ্ঠ ৰজাজনৰ নাম কি?
- ৰাজ ৰাজেশ্বৰ মন্দিৰ কোনজন চোল ৰজাই নিৰ্মাণ কৰিছিল?
- চোলসকলে ব্ৰাহ্মণসকলক দান দিয়া ভুমিক কি নামেৰে অভিহিত কৰা হৈছিল?
- চোলসকলৰ ৰাজত্ব কালত কোন নদীৰ উপত্যকা অঞ্চলত প্ৰচুৰ খাদ্য শস্যৰ উৎপাদন হৈছিল?

দলীয় উপস্থাপনৰ পিছত শিক্ষকে ছাত্ৰ-ছাত্ৰীক চোল সাম্ৰাজ্যৰ সঠিক ধাৰণা আয়ত্বকৰণত সহায় কৰিব। এইক্ষেত্ৰত শিক্ষকে পাঠ্যপুথিৰ লগতে অন্যান্য সমলৰ সহায় লোৱা প্ৰয়োজন।

**মোখনী ঃ**

ওপৰত উল্লেখ কৰা ধৰণৰ কাৰ্যৰ সহায়ত শিক্ষকে চোল সাম্ৰাজ্যৰ অৱস্থিতি, ৰাজধানী তথা প্ৰশাসনিক, সাংস্কৃতিক অৱদান সমূহৰ বিষয়ে ধাৰণা দিবলৈ চেষ্টা কৰিব। উল্লেখনীয় যে, চোল সাম্ৰাজ্যৰ পৰিচিতি দিয়াৰ প্ৰসংগত শিক্ষকে সম-সাময়িক ভাৰতবৰ্ষৰ ঐতিহাসিক ঘটনা-পৰিঘটনাৰ লগত ছাত্ৰ-ছাত্ৰীক পৰিচয় কৰাব যাতে সেই ঘটনা, কাৰ্যসমূহৰ মাজত ধাৰাবাহিকতা অক্ষুণ্ণ থাকে আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত ঐতিহাসিক চিন্তা-চৰ্চাৰ মানসিকতা গঢ় লৈ উঠে। এইক্ষেত্ৰত শিক্ষকে ওপৰঞ্চি সমলৰ সহায় লোৱাটো বাঞ্ছনীয়।

**<u>আৰ্হি প্ৰশ্ন ঃ</u>**

১) শুদ্ধ উত্তৰটো বাছি উলিওৱা—

ক) হৰ্ষবৰ্ধনৰ সমসাময়িক কামৰূপৰ ৰজাজনৰ নাম আছিল ......................।

১) পুষ্য বৰ্মন  ২) ভাস্কৰ বৰ্মন  ৩) নৰনাৰায়ণ  ৪) ভগদত্ত

খ) থানেশ্বৰ ৰাজ্য বৰ্তমান ভাৰতৰ কোন প্ৰদেশৰ অন্তৰ্গত?

১) পঞ্জাৱ  ২) হাৰিয়ানা  ৩) তামিলনাডু  ৪) গুজৰাট

গ) তাঞ্জোৰ তলৰ কোনখন ৰাজ্যৰ ৰাজধানী আছিল?

১) পল্লব　　২) ৰাষ্ট্ৰকূট　　৩) থানেশ্বৰ　　৪) চোল

ঘ) তলৰ কোনজন ৰজাই চোলসকলৰ দিনত পঞ্চায়তীৰাজ ব্যৱস্থা প্ৰতিষ্ঠাৰ পথ মুকলি কৰিছিল?

১) ৰাজাৰাজ　　২) নৰসিংহ বৰ্মন　　৩) প্ৰথম পৰান্তক　　৪) বিজয়ালয়

ঙ) তলৰ কোনখন ৰাজ্য বিন্ধ্য পৰ্বতৰ উত্তৰে অৱস্থিত?

১) চোল　　২) ৰাষ্ট্ৰকূট　　৩) থানেশ্বৰ　　৪) পল্লব

২) তলত উল্লেখ কৰা ৰাজ্যসমূহৰ বৰ্তমানৰ স্থানসমূহৰ ভৌগলিক স্থিতি নিৰ্ণয় কৰা। উক্ত ৰাজ্যসমূহৰ অৱস্থিতি উত্তৰ ভাৰতত নে দক্ষিণ ভাৰতত চিনাক্ত কৰি এখন তালিকা প্ৰস্তুত কৰা।

কেৰল, পাণ্ড্য, চালুক্য, চোল, কনৌজ, থানেশ্বৰ, ৰাষ্ট্ৰকূট

৩) তোমাৰ নিজৰ অঞ্চলত থকা স্থানীয় স্বায়ত্ব শাসন ব্যৱস্থা সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা।

৪) চোলসকলৰ ৰাজত্ব কালত কৃষি প্ৰণালী কেনেকুৱা আছিল বুলি ভাবা নিজৰ ভাষাত লিখা।

<u>প্ৰসংগ পুথি/ ৱেবছাইট লিংক ঃ</u>

1. Majumdar R.C., Raychudhuri C, Dutta Kalikinkar (4th edition), An Advanced History of India.
2. Social Science : Our Pasts-II, Textbook in History for class VII, NCERT.
3. https://en.m.wikipedia.org>wiki>Tanjore

———————

**সমল নং ঃ ৪**

## শ্ৰেণী-অষ্টম
## বিষয়- সমাজ বিজ্ঞান

**প্ৰাসংগিক শিকন ঘাটি ঃ**

১) ছবি চাই জনবসতিৰ প্ৰকাৰ চিনাক্ত কৰা।

**শিকন ফলাফল ঃ**

অ-সম জনসংখ্যা বিতৰণৰ কাৰণ ব্যাখ্যা কৰিব পাৰিব আৰু পৃথিৱীৰ মানচিত্ৰত তাৰ বিশ্লেষণ কৰিব পাৰিব।

**আনুষংগিক শিকন ফলাফল ঃ**

- বসতিৰ অৰ্থ ব্যাখ্যা কৰিব পাৰিব।
- বসতিক প্ৰভাৱিত কৰা কাৰকসমূহ চিনাক্ত কৰিব পাৰিব।
- পৃথিৱীৰ কোনবোৰ ঠাইত ঘন আৰু পাতল জনবসতি আছে সেই ঠাইবোৰ চিনাক্ত কৰিব পাৰিব।
- নগৰীয়া আৰু গ্ৰাম্য বসতিৰ পাৰ্থক্য আৰু ইয়াৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰিব পাৰিব।

**পাতনি ঃ**

মানুহে কৃষিকাৰ্য কৰিবলৈ আৰম্ভ কৰাৰ পৰাই স্থায়ীভাৱে কোনো এখন ঠাইত বসবাস কৰিবলৈ আৰম্ভ কৰে। যিবোৰ ঠাই কৃষিৰ বাবে উপযোগী তেনেবোৰ ঠাইত মানুহে প্ৰথমে স্থায়ীভাৱে বসবাস কৰিবলৈ লয়। মানুহ আৰু কৃষি উভয়ৰ বাবে পানীৰ প্ৰয়োজন। সেয়েহে নদীৰ দাঁতি কাষৰীয়া অঞ্চলকে মানুহে প্ৰথমতে বসতিৰ বাবে নিৰ্বাচন কৰিছিল। লাহে লাহে মানুহে বিভিন্ন প্ৰাকৃতিক উপাদান যেনে- ৰ'দ, বতাহ, বৰষুণ, বন্যপ্ৰাণী আদিৰ পৰা ৰক্ষা পাবৰ বাবে নিগাজিকৈ বাস কৰাৰ প্ৰয়োজনীয়তা অনুভৱ কৰিলে। ফলত এনেদৰে চুবুৰীৰ সৃষ্টি হয় আৰু জনসংখ্যা ক্ৰমাৎ বাঢ়ি যোৱাত গাঁৱৰ সৃষ্টি হয়। এখন ঠাইত এনেদৰে বসতি গঢ়ি উঠিবলৈ হ'লে তাত কিছুমান সুবিধাজনক কাৰকৰ প্ৰয়োজন হয়। যেনে- উৎপাদনক্ষম মাটি, জলাশয়, ঘাঁহনি, বননি, নিৰাপত্তা আদি। মানুহে এনেদৰে কোনো ঠাইত একেলগে স্থায়ীভাৱে থকা কাৰ্যকে বসতি বুলি কোৱা হয়। কাৰকসমূহৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠাৰ বাবে কিছুমান ঠাইৰ বসতি পাতল, কিছুমান ঠাইৰ বসতি ঘন। আকৌ এই বসতিসমূহ কেতিয়াবা বৰ্গাকৃতিৰ, কেতিয়াবা তৰাকৃতিৰ, কেতিয়াবা ৰৈখিক আকৃতিৰ ইত্যাদি হ'ব পাৰে। ইয়াকে বসতিৰ প্ৰকাৰ বুলি কোৱা হয়।

**এই অংশৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতাসমূহ ঃ**

- বসতিৰ অৰ্থ বুজি ব্যাখ্যা কৰিব পাৰিব।
- বসতিক প্ৰভাৱিত কৰা কাৰকসমূহ আলোচনা কৰিব পাৰিব।
- বসতিৰ প্ৰকাৰসমূহ বুজাব পাৰিব।
- পৃথিৱীৰ মানচিত্ৰত ঘন আৰু পাতল বসতি থকা অঞ্চলসমূহৰ ধাৰণা দিব পাৰিব।

**পৰামৰ্শমূলক শিক্ষণ-শিকন প্ৰক্ৰিয়া ঃ**

**কাৰ্য নং - ১ ঃ**

শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক একোখন নিজ চুবুৰীৰ আনুমানিক মানচিত্ৰ অংকন কৰিবলৈ দিব আৰু তাৰ আলমত তলত দিয়া ধৰণে প্ৰশ্ন উত্থাপন কৰিব —

ক) তোমালোকৰ অঞ্চলৰ সকলোবোৰ ঠাইত মানুহে সমানে বসবাস কৰে নে? যদি নকৰে কিয় নকৰে?

খ) কিছুমান অঞ্চলত বসতি ঘন কিছুমান অঞ্চলত পাতল। কাৰণ উল্লেখ কৰা।

গ) তোমালোকৰ অঞ্চলৰ সৰহভাগ মানুহৰ জীৱিকা কি?

ঘ) তোমালোকৰ অঞ্চলৰ সৰহভাগ ঘৰ-বাৰী কেনেধৰণৰ?

ছাত্ৰ-ছাত্ৰীৰ উপস্থাপনৰ আলমত শিক্ষকে মানুহৰ বসতিৰ বাবে উপযুক্ত অঞ্চলৰ প্ৰয়োজনীয় উপাদানসমূহ ব্যাখ্যা কৰিব। উপাদানসমূহৰ ভিন্নতা অনুযায়ী কেনেদৰে ভিন ভিন ঠাইত ভিন ভিন বসতি গঢ় লৈ উঠে তাৰ ওপৰত থূল-মূল আভাস দিব।

## কাৰ্য নং - ২ ঃ

শিক্ষকে ছাত্ৰ-ছাত্ৰীক দলত তলত দিয়া ধৰণে (উদাহৰণ সহ) কাৰণ আৰু ফলাফলৰ এখন চাৰ্ট দিব। খালী ঘৰসমূহ ছাত্ৰ-ছাত্ৰীক দলত পূৰাবলৈ দিব। প্ৰয়োজনত শিক্ষকে সহায় কৰিব।

| কাৰণ | | ফলাফল |
|---|---|---|
| সমভূমি | → | ঘন বসতি |
| ................................ | → | ...................................... |
| ................................ | → | ...................................... |
| ................................ | → | ...................................... |
| ................................ | → | ...................................... |

উক্ত কাৰ্যৰ পিছত শিক্ষকে ছাত্ৰ-ছাত্ৰীক তলত দিয়া ধৰণৰ প্ৰশ্নসমূহ সুধিব—

১) ঘন বসতি অঞ্চলৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

২) পাতল বসতি অঞ্চলৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

৩) মৰুভূমি অঞ্চল বসবাসৰ বাবে কিয় উপযোগী নহয় তাৰ দুটা কাৰণ দৰ্শোৱা।

৪) পাহাৰীয়া অঞ্চলত কেনেধৰণৰ খেতি কৰা হয়?

## কাৰ্য নং - ৩ ঃ

শিক্ষকে ছাত্ৰ-ছাত্ৰীক দলগতভাৱে ভাৰতৰ এখন ঘন জনবসতি থকা ৰাজ্য বাছি ল'বলৈ দিব আৰু সেই ৰাজ্যখনৰ নাম, ৰাজধানী, জনসংখ্যা আদিৰ তথ্য ভূচিত্ৰাৱলী বা আন উৎসৰ পৰা সংগ্ৰহ কৰি লিখি ল'বলৈ দিব। ইয়াৰ পিছত ৰাজ্যখনৰ বসতি ঘন হোৱাৰ কাৰণবোৰ চিহ্নিত কৰি দলত আলোচনা কৰি উপস্থাপন কৰিবলৈ দিব। এনেদৰে পাতল বসতি থকা ঠাইখনৰ বাবেও একে ক্ৰিয়াকলাপৰ পুনৰাবৃত্তি কৰিব। শিক্ষকে ক্ৰিয়াকলাপৰ জৰিয়তে পোৱা ফলাফলসমূহৰ ওপৰত আলোচনা আগবঢ়াব।

**কাৰ্য নং - ৪ ঃ**

ছাত্ৰ-ছাত্ৰীক তিনি বা চাৰিটা দলত ভাগ কৰি পাঠ্যপুথিৰ ২৪নং পৃষ্ঠাৰ ভিন ভিন জনবসতি থকা ছবিকেইখন সুক্ষ্মভাৱে পৰ্যবেক্ষণ কৰিবলৈ দিব আৰু পাঠৰ আলমত তলৰ প্ৰশ্নসমূহ অৱতাৰণা কৰিব—

১) কেন্দ্ৰীভূত বসতি কেনে অঞ্চলত গঢ় লৈ উঠে?

২) পাতল জনবসতিৰ দুটা কাৰক উল্লেখ কৰা।

৩) বাট-পথৰ কাষে কাষে দীঘলীয়াকৈ বিস্তাৰিত হৈ থকা বসতিক কি বসতি বোলে?

৪) দুই তিনিটা পথৰ সংযোগ স্থলৰ আশে পাশে গঢ় লৈ উঠা বসতিক কি বসতি বোলে?

৫) কিহৰ ওপৰত ভিত্তি কৰি বৰ্গাক্ষেত্ৰাকাৰ বসতি গঢ় লৈ উঠে?

ছাত্ৰ-ছাত্ৰীৰ উত্তৰৰ আধাৰত শিক্ষকে পাঠ্যপুথি আৰু অন্যান্য প্ৰসংগপুথিৰ আলমত বসতিৰ ভিন ভিন প্ৰকাৰ, গ্ৰাম্য বসতি, নগৰীয়া বসতি আদি ধাৰণাসমূহ স্পষ্ট কৰাব।

শিক্ষকে পাঠ্যপুথিৰ ২৪ আৰু ২৫ নং পৃষ্ঠাত থকা গ্ৰাম্য আৰু নগৰীয়া বসতিৰ বৈশিষ্ট্যসমূহ দলত অধ্যয়ন কৰিবলৈ দিব। পাঠত থকাৰ উপৰি তেওঁলোকে বাস কৰা নিজ নিজ অঞ্চলৰ আন কিছুমান বৈশিষ্ট্য লিপিবদ্ধ কৰি শ্ৰেণীকক্ষত উপস্থাপন কৰিবলৈ দিব। ছাত্ৰ-ছাত্ৰীৰ উপস্থাপনৰ আলমত শিক্ষকে গ্ৰাম্য আৰু নগৰীয়া বসতিৰ পাৰ্থক্যৰ ধাৰণা স্পষ্ট কৰাব। পিছত মূল্যায়নৰ বাবে তলত দিয়া ধৰণৰ প্ৰশ্নসমূহৰ সহায় ল'ব পাৰে।

১) চমু প্ৰশ্ন ঃ

ক) বসতি বুলিলে কি বুজা? খ) বসতি কেই প্ৰকাৰৰ আৰু কি কি?

২) খালী ঠাই পূৰ কৰা—

ক) থুপ খাই থকা বসতিক ..................... বসতি বোলে।

খ) বাটপথৰ কাষে কাষে বিস্তাৰিত হৈ থকা বসতিক ................ বসতি বোলে।

**মোখনী ঃ**

ওপৰত উল্লেখ কৰাৰ দৰে কাৰ্যৰ সহায়ত শিক্ষকে ছাত্ৰ-ছাত্ৰীক মানুহৰ বসতিৰ প্ৰকাৰ, জনসংখ্যাৰ অ-সম বিতৰণ সন্দৰ্ভত ছাত্ৰ-ছাত্ৰীক ধাৰণা দিয়াৰ চেষ্টা কৰিব। প্ৰাকৃতিক কাৰকৰ উপৰিও আন আন কাৰকসমূহে বসতি আৰু জনসংখ্যাৰ বিতৰণত যে প্ৰভাৱ বিস্তাৰ কৰে সেই বিষয়ে শিক্ষকে উদাহৰণসহ আলোচনা দাঙি ধৰিব।

**আৰ্হি প্ৰশ্ন ঃ**

১) শুদ্ধ উত্তৰত (✓) চিন দিয়া—

ক) গ্ৰাম্য অঞ্চলত প্ৰাথমিক/দ্বিতীয়/তৃতীয়/চতুৰ্থ/বৃত্তিধাৰী লোক অধিক থাকে।

খ) সকলো নগৰৰ বৈশিষ্ট্য একে হয়/নহয়।

গ) গ্ৰাম্য অঞ্চলত সাধাৰণতে ৰৈখিক বসতি দেখা পোৱা যায়। সঁচা/মিছা।

ঘ) বাগান অঞ্চলৰ বসতিৰ প্ৰকাৰ-ৰৈখিক/বৰ্গাকাৰ/কেন্দ্ৰীভূত/তৰাৰূপী।

২) তলৰ প্ৰশ্নটোৰ উত্তৰ দিয়া ঃ

ক) ভাৰতৰ নদীৰ পাৰত গঢ়ি উঠা চাৰিখন ডাঙৰ নগৰ/চহৰৰ নাম লিখা।

৩) খালী ঠাই পূৰ কৰা।

ক) নগৰীয়া বসতিক ................... বসতি বুলিও কোৱা হয়।

খ) থূপ খাই থকা বসতিক ....................... বসতি বোলে।

গ) বাটপথৰ কাষে কাষে দীঘলীয়াকৈ বিস্তাৰিত হৈ থকা বসতিক ......................... বোলে।

ঘ) সকলো জনবসতিৰে কিছুমান নিৰ্দিষ্ট ....................... থাকে।

ঙ) ভাৰতৰ প্ৰায় শতকৰা ................. জন লোক নগৰত বাস কৰে।

৪) শিক্ষকে ছাত্ৰ-ছাত্ৰীক দলগতভাৱে তলৰ তালিকাখন পূৰ কৰিব দিব। ছাত্ৰ-ছাত্ৰীয়ে কোনবোৰ দিশত নগৰসমূহ গ্ৰাম্য বসতিৰ ওপৰত বা গ্ৰাম্য বসতিয়ে নগৰীয়া বসতিৰ ওপৰত নিৰ্ভৰশীল চিনাক্ত কৰি লিখিব।

| **নগৰীয়া বসতি** | **গ্ৰাম্য বসতি** |
|---|---|
| ১) খাদ্য সামগ্ৰী গ্ৰাম্য অঞ্চলৰ পৰা আহে। | ১) বাণিজ্য বিশেষকৈ শিল্পজাত সামগ্ৰীৰ বাবে নগৰৰ ওপৰত নিৰ্ভৰশীল। |
| ২) | ২) |
| ৩) | ৩) |
| ৪) | ৪) |
| ৫) | ৫) |

৫) প্ৰকল্প ঃ শিক্ষকে ছাত্ৰ-ছাত্ৰীক বিদ্যালয়ৰ ওচৰৰ কমেও পাঁচঘৰ মানুহৰ ঘৰৰ জৰীপ কৰিবলৈ দিব। সেই ঠাইত পৰিয়ালকেইটা ক'ৰ পৰা উঠি আহিছে, কেতিয়াৰ পৰা তাত বসবাস কৰিছে আদি তথ্য সংগ্ৰহ কৰিবলৈ দিব। বিগত এটা দশকত ঠাইখনৰ কিমান সংখ্যক মানুহ গাঁৰৰ পৰা চহৰলৈ আৰু চহৰৰ পৰা গাঁৰলৈ বসতি কৰিবলৈ গৈছে তাৰ ওপৰত তথ্য যুগুতাই তলৰ তালিকাখন পূৰ কৰাব।

| ঘৰৰ মুৰব্বীৰ নাম | আগতে ক'ত আছিল | ঠাইখনৰ পৰা যোৱা দশকত কিমান মানুহ চহৰ/গাঁৰলৈ গৈছে | যোৱাৰ কাৰণ |
|---|---|---|---|
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |

**সমল নং ঃ ৫**

**শ্ৰেণী-অষ্টম**

**বিষয়- সমাজ বিজ্ঞান**

**প্ৰাসংগিক শিকন ঘাটি ঃ**

১) ইষ্ট ইণ্ডিয়া কোম্পানী কেতিয়া প্ৰতিষ্ঠা হৈছিল?

২) চিৰাজউদ্দৌলা কোন আছিল?

৩) চুজাউদ্দৌলা কোন ৰাজ্যৰ নবাব আছিল?

**শিকন ফলাফল ঃ**

বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানী কেনেকৈ এক নিয়ন্ত্ৰণকাৰী শক্তি হিচাপে পৰিগণিত হৈছিল সেই বিষয়ে ব্যাখ্যা কৰিব পাৰিব।

**আনুসংগিক শিকন ফলাফল ঃ**

- বাণিজ্যবাদ আৰু ইষ্ট ইণ্ডিয়া কোম্পানীৰ ভাৰতলৈ আগমনৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- ইংৰাজসকলে বংগদেশ দখল কৰাৰ কৌশল সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব।
- পলাশী যুদ্ধ আৰু বক্সাৰ যুদ্ধৰ তুলনামূলক অধ্যয়ন কৰিব পাৰিব।
- ইংৰাজে বংগদেশ দখল কৰাৰ ফলত উদ্ভৱ হোৱা ৰাজনৈতিক আৰু অৰ্থনৈতিক পৰিৱৰ্তনৰ লগত পৰিচয় হ'ব।

**অধ্যায় ঃ পাঠ্যপুথিৰ সংগতিপূৰ্ণ পাঠসমূহ ঃ**

বাণিজ্যবাদ আৰু ভাৰতলৈ ইউৰোপীয় ব্যৱসায়ীসকলৰ আগমন (পাঠ নং ১২),

ভাৰতত ইংৰাজ শাসনৰ প্ৰতিষ্ঠা, সম্প্ৰসাৰণ আৰু দৃঢ়ীকৰণ (পাঠ নং ১৩)।

**পাতনি ঃ**

ভাৰতবৰ্ষৰ ইতিহাসক প্ৰধানকৈ তিনিটা ভাগত ভাগ কৰি আলোচনা কৰা হয়। এই ভাগকেইটাক যুগ বুলিও কোৱা হয়। যেনে- (১) প্ৰাচীন যুগ, (২) মধ্য যুগ, (৩) আধুনিক যুগ। প্ৰাক ঐতিহাসিক কালৰ পৰা চুলতানসকলৰ আগমনৰ আগৰ সময়ছোৱাক প্ৰাচীন যুগ, চুলতানসকলৰ সময়ৰ পৰা পলাশী যুদ্ধৰ সময়লৈ মধ্যযুগ আৰু পলাশী যুদ্ধৰ পৰৱৰ্তী সময়ছোৱাৰ পৰা আধুনিক যুগ আৰম্ভ হৈছে।

প্ৰাচীন কালৰে পৰা পৃথিৱীৰ বিভিন্ন দেশৰ লগত ভাৰতবৰ্ষৰ বাণিজ্যিক সম্পৰ্ক আছিল। মধ্যযুগত মোগল শাসনৰ শেষৰ ফালে ইউৰোপৰ বিভিন্ন দেশৰ বনিকসকলে ভাৰতবৰ্ষত ব্যৱসায় কৰিবলৈ আহিছিল। ভাৰতলৈ বেপাৰ কৰিবলৈ অহা প্ৰধান ইউৰোপীয় জাতিবোৰ হ'ল— (১) পৰ্তুগীজ (১৪৯৮ খ্ৰঃৰ পৰা), (২) ওলন্দাজ (১৬০২ খ্ৰঃৰ পৰা), (৩) বৃটিছ (১৬০০ খ্ৰঃৰ পৰা) (৪) ফৰাচী (১৬৬৪ খ্ৰঃৰ পৰা)। এইবোৰৰ ভিতৰত ইংৰাজ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ১৬০০ খ্ৰঃত ৰাণী প্ৰথম এলিজাবেথৰ অনুমতি ক্ৰমে ভাৰতবৰ্ষত বেপাৰ বাণিজ্য কৰিবলৈ আহি পৰৱৰ্তী সময়ত ভাৰতবৰ্ষত ৰাজনৈতিক প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হয়। ইংৰাজ ইষ্ট ইণ্ডিয়া কোম্পানীৰ লগত আন আন ইউৰোপীয় জাতিবোৰে বাণিজ্যিক প্ৰতিদ্বন্দ্বিতাত হাৰ মনাই নহয় পিছলে ৰাজনৈতিক ক্ষেত্ৰটো বিফল হয়। ফলস্বৰূপে ইংৰাজসকলে ভাৰতবৰ্ষত একছত্ৰী ক্ষমতাৰ অধিকাৰী হৈ পৰে।

**<u>এই অংশৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতাসমূহ ঃ</u>**

- ভাৰতৰ বিভিন্ন স্থানত স্থাপন কৰা ইউৰোপীয় বাণিজ্যিক কোঠৰ লগত পৰিচয় কৰাব পাৰিব।
- ভাৰতৰ দেশীয় ৰাজ্যসমূহৰ ৰাজনীতিত ইউৰোপীয়সকলৰ হস্তক্ষেপৰ কাৰণ ব্যাখ্যা কৰিব পাৰিব।
- ভাৰতত ইংৰাজ সাম্ৰাজ্যৰ দৃঢ়ীকৰণ প্ৰক্ৰিয়াৰ বিষয়ে আলোচনা কৰিব পাৰিব।

**<u>পৰামৰ্শমূলক শিক্ষণ-শিকন প্ৰক্ৰিয়া ঃ</u>**

**কাৰ্য নং - ১ ঃ** (অভিৰোচিত কাৰ্য)

শিক্ষকে ছাত্ৰ-ছাত্ৰীক আলোচ্য বিষয়ৰ প্ৰতি মনযোগ আকৰ্ষণৰ বাবে তলত দিয়া ধৰণৰ প্ৰশ্নবোৰ সুধিব পাৰে।

১) ইংৰাজসকলে ভাৰতবৰ্ষলৈ অহাৰ আগতে ভাৰতবৰ্ষত কোনে শাসন কৰিছিল?

২) মোগল সকলৰ শেষ পৰাক্ৰমী সম্ৰাটজন কোন আছিল?

৩) ভাৰতবৰ্ষত বেপাৰ কৰাৰ ক্ষেত্ৰত কোনজন মোগল সম্ৰাটৰ পৰা ইংৰাজসকলে বেছি সুবিধা লাভ কৰিছিল?

৪) ইংৰাজ বনিকসকলে পোনতে কোন কোন ঠাইত বেপাৰৰ কোঠ স্থাপন কৰিছিল?

ছাত্ৰ-ছাত্ৰীৰ সহাঁৰিৰ আলমত শিক্ষকে পৰৱৰ্তী পৰ্যায়লৈ অগ্ৰসৰ হ'ব।

**কাৰ্য নং - ২ ঃ**

ঔৰংগজেৱৰ পৰৱৰ্তী মোগল শাসক সকলৰ দুৰ্বলতাৰ সুযোগ লৈ কেনেকৈ ইংৰাজ বণিকসকলে ভাৰতবৰ্ষত বেপাৰ বাণিজ্য কৰাৰ সুবিধা পাইছিল পাঠ্যপুথিৰ আলমত শিক্ষকে আলোচনা কৰিব। ১৫৯৯ খৃঃত স্থাপন হোৱা ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ১৬০০ খৃঃত ইংলণ্ডৰ ৰাণী এলিজাবেথৰ পৰা ৰাজকীয় অনুমতি লাভ কৰি ভাৰতবৰ্ষৰ মুখ্য চহৰ ক্ৰমে বোম্বাই, মাদ্ৰাজ আৰু কলিকতাত বেপাৰৰ কোঠ স্থাপন কৰাৰ বিষয়ে বিতংকৈ আলোচনা কৰিব। এই কাৰ্যত শিক্ষকে সৰৰ পঠনৰ সহায় ল'ব।

আলোচনাৰ আধাৰত শিক্ষকে তলৰ প্ৰশ্নবোৰৰ সহায় ল'ব পাৰে—

১) ইংৰাজ ইষ্ট ইণ্ডিয়া কোম্পানী কোনজন ইংৰাজৰ শাসন কালত প্ৰতিষ্ঠা হৈছিল?

২) কাৰ অনুমতি সাপেক্ষে ইংৰাজ ইষ্ট ইণ্ডিয়া কোম্পানী ভাৰতবৰ্ষত বেপাৰ কৰিব আহিছিল?

৩) বেপাৰ বাণিজ্যৰ ক্ষেত্ৰত ইংৰাজসকলৰ মূল প্ৰতিদ্বন্দ্বী কোন আছিল?

৪) ইংৰাজসকলৰ মুখ্য বাণিজ্যিক ঘাটি ক'ত ক'ত আছিল?

**কাৰ্য নং - ৩ ঃ**

শিক্ষকে ছাত্ৰ-ছাত্ৰীক দুটা দলত ভাগ কৰি তাৰে এটা দলক পাঠ্যপুথি আৰু অন্যান্য প্ৰসংগপুথিৰ লিখনি পঢ়ি বংগদেশত কেনেকৈ ইংৰাজসকলে নিজৰ বাণিজ্যিক প্ৰভাৱ বিস্তাৰ কৰিছিল তাৰ বিষয়ে তথ্য সংগ্ৰহ কৰি টোকা যুগুত কৰিবলৈ দিব। আনটো দলক পলাশী যুদ্ধৰ কাৰণ আৰু সেই যুদ্ধৰ ফলাফলৰ বিষয়ে তথ্য সংগ্ৰহ কৰি টোকা প্ৰস্তুত কৰিবলৈ দিব আৰু দুয়োটা দলক শ্ৰেণীকক্ষত নিজ নিজ দলৰ টোকাসমূহ উপস্থাপন কৰিবলৈ দিব। ছাত্ৰ-ছাত্ৰীয়ে উপস্থাপন কৰাৰ সময়ত শিক্ষকে তলৰ প্ৰশ্নবোৰৰ সহায়ত ইংৰাজৰ বংগদেশত খোপনি পোতাৰ কৌশল আৰু পলাশী যুদ্ধৰ কাৰণ আৰু ফলাফলৰ ওপৰত স্পষ্ট ধাৰণা দিয়াৰ প্ৰয়াস কৰিব।

১) ইংৰাজ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে কোনবোৰ কাৰণত বংগদেশক বেছি গুৰুত্ব দিছিল?

২) আলিবৰ্দিখাঁ কোন আছিল?

৩) চিৰাজউদ্দৌলা কোন আছিল?

৪) কিমান খ্ৰীষ্টাব্দত চিৰাউদ্দৌলা বংগৰ নবাব হৈছিল?

৫) পলাশী যুদ্ধ কাৰ কাৰ মাজত সংঘটিত হৈছিল?

৬) পলাশী যুদ্ধ কিমান চনত সংঘটিত হৈছিল?

৭) পলাশী যুদ্ধত ইষ্ট ইণ্ডিয়া কোম্পানীক কোনে নেতৃত্ব দিছিল?

## কাৰ্য নং - ৪ ঃ

পলাশী যুদ্ধৰ ফলাফল কি হ'ল, প্ৰকৃততে বংগৰ শাসক কোন হ'ল, কেনেকৈ মিৰ্জাফৰ আৰু মিৰকাচিমক ইংৰাজে বশ কৰাৰ প্ৰচেষ্টা চলালে, মীৰকাচিম ক্ষুণ্ণ হৈ ইংৰাজৰ প্ৰভাৱৰ পৰা মুক্ত হ'বৰ বাবে কি কি পদক্ষেপ ল'লে সকলোবোৰ কথা শিক্ষকে বিতংভাৱে ছাত্ৰ-ছাত্ৰীক বুজাই দি নিম্নলিখিত প্ৰশ্নসমূহ উত্থাপন কৰিব পাৰে।

ক) পলাশী যুদ্ধৰ সময়ত যদি তুমি বংগৰ গৱৰ্ণৰ হৈ থাকিলাহেতেন তেনেহ'লে এই যুদ্ধ বন্ধ কৰাৰ বাবে তুমি কি কি পদক্ষেপ ল'লাহেঁতেন?

খ) চিৰাজউদ্দৌলাৰ পিছত বংগৰ নবাব কোন আছিল?

গ) মীৰকাচিম কোন?

ঘ) বক্সাৰ যুদ্ধ কাৰ কাৰ মাজত সংঘটিত হৈছিল?

ঙ) বক্সাৰ যুদ্ধৰ সময়ত অযোধ্যাৰ নবাব কোন আছিল?

চ) ২য় চাহ আলম ক'ৰ সম্ৰাট আছিল?

## মোখনী ঃ

উল্লিখিত ধৰণৰ কাৰ্যৰ আলমত শিক্ষকে ছাত্ৰ-ছাত্ৰীক ইংৰাজ ইষ্ট ইণ্ডিয়া কোম্পানীৰ প্ৰতিষ্ঠাকৰণৰ পৰা ভাৰতবৰ্ষলৈ তেওঁলোকৰ আগমন ঘটা পৰ্যায়লৈ বংগদেশক কেন্দ্ৰ কৰি ভাৰতবৰ্ষৰ শাসনত নিজৰ নিয়ন্ত্ৰণত অনা বংগৰ নবাব চিৰাজউদ্দোলাৰ ব্যৱসায়িক সংঘাত আদি ঘটনাক্ৰম পাঠ্যপুথি তথা আন উৎসৰ আলমত ছাত্ৰ-ছাত্ৰীৰ সৈতে আলোচনা কৰিব যাতে এই ঘটনাক্ৰমৰ ধাৰাবাহিকতাৰ লগতে পৰিণামবোৰ তেওঁলোকৰ মনত ৰেখাপাত কৰিব পাৰে।

## আৰ্হি প্ৰশ্ন ঃ

১) চমু উত্তৰ দিয়া—

ক) চিৰাজউদ্দৌলাৰ মৃত্যুৰ পিছত বংগৰ নবাব কোন হয়?

খ) মিৰজাফৰে কাৰ লগত লগ লাগি ইংৰাজৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰিছিল?

গ) চুজাউদ্দৌলা কোন ৰাজ্যৰ নবাব আছিল?

ঘ) বক্সাৰ যুদ্ধ কোন চনত সংঘটিত হৈছিল?

২) শুদ্ধ/অশুদ্ধ নিৰ্ণয় কৰা—

- চিৰাজউদ্দৌলা আলিবৰ্দি খাঁৰ পুত্ৰ আছিল।
- চিৰাজউদ্দৌলাৰ মাকৰ নাম ঘাচিতি বেগম।
- চিৰাজউদ্দৌলাৰ সময়ত বংগৰ দেৱান আছিল ৰাজবল্লভ।
- ১৭৫৬ খ্ৰীষ্টাব্দত চিৰাজউদ্দৌলা বংগৰ নবাব হয়।

**৩) খালী ঠাই পূৰ কৰা ঃ**

ক) মিৰজাফৰ বংগৰ নবাব হ'লেও প্ৰকৃততে ................ বংগৰ শাসনভাৰ চলাইছিল।

খ) ................ খ্ৰীষ্টাব্দত ক্লাইব স্বদেশলৈ ঘূৰি যায়।

গ) ইংৰাজৰ অনুগ্ৰহত নবাব হ'লেও .............. স্বাধীনচিতীয়া আছিল।

ঘ) .................. মীৰ কাছিমে দুৰ্গ আৰু বন্দুক বাৰুদ তৈয়াৰ কৰা কাৰখানা স্থাপন কৰিছিল।

ঙ) মীৰ কাছিমে অযোধ্যাৰ নবাব .............. আৰু মোগল সম্ৰাট দ্বিতীয় ছাহ আলমৰ সৈতে লগ লাগি ইংৰাজৰ বিৰুদ্ধে এক সন্মিলিত যুঁজ দিয়াৰ মন মেলিছিল।

৪) চিৰাজউদ্দৌলাৰ ওপৰত তথ্য সংগ্ৰহ কৰি এটি টোকা প্ৰস্তুত কৰা।

৫) শুদ্ধ অংশটো বাছি উলিওৱা—

ক) ১৫৯৯ খ্ৰীষ্টাব্দত /১৬০০ খ্ৰীষ্টাব্দত ইষ্ট ইণ্ডিয়া কোম্পানী প্ৰতিষ্ঠা হৈছিল।

খ) ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ইংলণ্ডৰ ৰাণী / ইংলণ্ডৰ প্ৰধান মন্ত্ৰীৰ পৰা ভাৰতত বেপাৰ কৰা অনুমতি পাইছিল।

গ) চিৰাজউদ্দৌলা বংগ / বিহাৰৰ নবাব আছিল।

ঘ) চুজাউদ্দৌলা /২য় বাহাদুৰ ছাহ মোগল সম্ৰাট আছিল।

ঙ) ১৭৫৭ / ১৭৬৪ খ্ৰীষ্টাব্দত পলাশী যুদ্ধ সংঘটিত হৈছিল।

**প্ৰসংগ পুথি ঃ**

১) সমাজ বিজ্ঞান (তৃতীয় ভাগ) অষ্টম শ্ৰেণীৰ পাঠ্যপুথি, শিক্ষা (প্ৰাথমিক) বিভাগ, অসম চৰকাৰ।
২) বুৰঞ্জী প্ৰবাহ, শ্ৰীমৃদুপৱন গোস্বামী।
৩) An Advanced History of India, By RC Majumdar, HC Ray Choudhuri, Kali Kinkar Datta.

———————

**শ্ৰেণী-অষ্টম**

**বিষয়- সমাজ বিজ্ঞান**

**সমল নং ঃ ৬**

**প্ৰাসংগিক শিকন ঘাটি ঃ**

- নমনীয় সংবিধানৰ বৈশিষ্ট্যবোৰ কি?
- ২০০৮ চনত ভাৰতৰ কোনখন চুবুৰীয়া দেশত গণতন্ত্ৰ প্ৰতিষ্ঠা হৈছিল?

**শিকন ফলাফল ঃ**

ভাৰতীয় সংবিধানৰ ঐতিহাসিক পটভূমি আৰু বৈশিষ্ট্যসমূহ বৰ্ণনা কৰিব পৰাৰ লগতে গণতন্ত্ৰত সংবিধানৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব উপলব্ধি কৰিব পাৰিব। ভাৰতীয় সংবিধানৰ আধাৰত নিজ নিজ অঞ্চলৰ ৰাজনৈতিক আৰু সামাজিক বিষয়সমূহ উদাহৰণসহ ব্যাখ্যা কৰিব পাৰিব। নিজ ৰাষ্ট্ৰৰ লগত প্ৰতিবেশী ৰাষ্ট্ৰৰ সংবিধানৰ কাৰ্যকাৰিতা সম্পৰ্কে তুলনামূলক অধ্যয়ন কৰিব পাৰিব।

**আনুষংগিক শিকন ফলাফল ঃ**

- সংবিধানৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি ব্যাখ্যা কৰিব পাৰিব।
- সংবিধানৰ প্ৰকাৰ আৰু বৈশিষ্ট্যসমূহৰ ওপৰত আলোচনা কৰিব পাৰিব।
- গণতন্ত্ৰ আৰু গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ ওপৰত ব্যাখ্যা কৰিব পাৰিব।

**অধ্যায় ঃ ৭ম আৰু ৮ম শ্ৰেণীৰ সংগতিপূৰ্ণ পাঠসমূহ। যেনে—**

গণতন্ত্ৰ, নাগৰিক আৰু নাগৰিকত্ব, (পাঠ নং-২২)
সংবিধান আৰু ইয়াৰ প্ৰয়োজনীয়তা, (পাঠ নং-২১)
ভাৰতীয় সংবিধান (পাঠ নং-২২)।

**পাতনি ঃ**

ভিন ভিন জাতি-উপজাতি, ভাষা, সংস্কৃতি আৰু বিভিন্ন ধৰ্মাৱলম্বী লোকে বসবাস কৰা ভাৰত এখন গণতান্ত্ৰিক দেশ। গণতন্ত্ৰ বুলিলে আমি জনগণৰ শাসন বুলি বুজো। যি দেশৰ শাসন ব্যৱস্থা জনগণৰ ওপৰত ন্যস্ত থাকে সেই দেশেই গণতান্ত্ৰিক দেশ। গণতন্ত্ৰৰ দৃষ্টিত সকলো মানুহেই সমান। সেয়ে এই ব্যৱস্থাই জাতি, বৰ্ণ, ধৰ্ম, ভাষা, লিঙ্গ নিৰ্বিশেষে সকলোকে সাঙুৰি লয়। গণতন্ত্ৰ মাথো এক ৰাজনৈতিক ব্যৱস্থা নহয়, সমাজৰ সকলো লোকক শিক্ষিত কৰি এই ব্যৱস্থাই এখন সুস্থ-সবল সমাজ গঠনত সহায় কৰে। ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে বৃটিছৰ অধীনৰ পৰা স্বাধীনতা লাভ কৰাৰ পাছত ভাৰত এখন স্বাধীন ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা হয়। এখন স্বাধীন ৰাষ্ট্ৰৰ মূল চালিকা শক্তি হৈছে সেই ৰাষ্ট্ৰৰ সংবিধান, যাৰ আধাৰত ৰাষ্ট্ৰখনৰ শাসন ব্যৱস্থা, ন্যায়িক ব্যৱস্থা আদি সকলো দিশ পৰিচালিত হয়। ভাৰতৰ সংবিধানেই ভাৰতক এখন গণতান্ত্ৰিক ৰাষ্ট্ৰ হিচাপে ঘোষণা কৰে।

বৃটিছ শাসন কালৰ পৰাই ভিন ভিন সময়ত ভাৰতীয়সকলে নিজে এখন সংবিধান ৰচনা কৰাৰ দাবী উত্থাপন কৰি আহিছিল। ১৯৩৪ চনত ভাৰতীয় জাতীয় কংগ্ৰেছ দলে সংবিধান প্ৰণয়নৰ প্ৰস্তাৱ দাঙি ধৰে। চাইমন প্ৰতিবেদনৰ আধাৰত লণ্ডনত অনুষ্ঠিত ঘূৰণীয় মেজমেলৰ প্ৰস্তাৱৰ ভিত্তিত ভাৰত চৰকাৰ আইন ১৯৩৫ গ্ৰহণ কৰা হয়। দ্বিতীয় মহাযুদ্ধৰ সময়ত বৃটিছ চৰকাৰে ভাৰতৰ সমৰ্থন লাভৰ উদ্দেশ্যে "আগষ্ট প্ৰস্তাৱৰ" জৰিয়তে এক সুকীয়া সংবিধানৰ দাবী মানি লৈছিল। সেই দাবীৰ ভিত্তিত ১৯৪৬ চনত কেবিনেট মিচন ভাৰতলৈ আহে আৰু ভাৰতৰ বাবে এখন সুকীয়া সংবিধান প্ৰণয়নৰ প্ৰস্তাৱ আগবঢ়ায়। এই প্ৰস্তাৱ অনুসৰিয়েই ভাৰতৰ সংবিধান সভা গঠিত হয়। ড° ৰাজেন্দ্ৰ প্ৰসাদ এই সংবিধান সভাৰ সভাপতি আছিল।

১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতে স্বাধীনতা লাভ কৰাৰ লগে লগেই এই সংবিধান সভাত ভাৰতৰ বাবে এখন সুকীয়া সংবিধান ৰচনা কৰাৰ অধিকাৰ লাভ কৰে। সেই বছৰৰে ২৯ আগষ্টত ড° ভীমৰাও আম্বেদকাৰক সভাপতিৰূপে লৈ এখন ৬ জনীয়া খচৰা কমিটি গঠন কৰে। অসমৰ চৈয়দ মহম্মদ চাদুল্লা এই খচৰা কমিটিৰ সদস্য আছিল। ১৯৪৮ চনৰ জানুৱাৰী মাহত সংবিধানৰ খচৰা প্ৰকাশ পায়। দেশৰ জনগণৰ মতামতৰ ভিত্তিত ১৯৪৯ চনৰ ২৬ নৱেম্বৰত ড° ৰাজেন্দ্ৰ প্ৰসাদে সংবিধানখনত স্বাক্ষৰ কৰে আৰু সংবিধান সভাত স্বাধীন ভাৰতৰ সংবিধানখন গৃহীত হয়। সংবিধানখন ৰচনা কৰাৰ পৰা সম্পূৰ্ণ কৰালৈকে সময় লাগিছিল ২ বছৰ ১১ মাহ ১৮ দিন। ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ পৰা ভাৰতীয় সংবিধানখন সম্পূৰ্ণৰূপে কাৰ্যকৰী হয়। এই সংবিধান অনুসৰিয়েই স্বাধীন ভাৰতৰ প্ৰথমগৰাকী ৰাষ্ট্ৰপতি হিচাপে ড° ৰাজেন্দ্ৰ প্ৰসাদক কাৰ্যভাৰ দিয়া হয়।

## <u>এই অংশৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতাসমূহ ঃ</u>

- গণতন্ত্ৰ আৰু গণতান্ত্ৰিক প্ৰক্ৰিয়া সম্পৰ্কে আলোচনা কৰিব পাৰিব।
- ভাৰতীয় সংবিধানৰ ঐতিহাসিক পটভূমি সম্পৰ্কে ব্যাখ্যা আগবঢ়াব পাৰিব।
- ভাৰতীয় সংবিধানৰ বৈশিষ্ট্যসমূহৰ সৈতে পৰিচয় কৰাই দিব পাৰিব।
- সংবিধানৰ প্ৰয়োজনীয়তা আৰু গুৰুত্বসমূহ উপলব্ধি কৰাব পাৰিব।

## <u>পৰামৰ্শমূলক শিক্ষণ-শিকন প্ৰক্ৰিয়া ঃ</u>

**কাৰ্য নং ১ ঃ** (অভিৰোচিত কাৰ্য)

শিক্ষকে ছাত্ৰ-ছাত্ৰীক অভিৰোচিত কৰাৰ বাবে চাৰিটা দলত বিভক্ত কৰি প্ৰতিটো দলক 'ফুটবল', 'ভলীবল', 'ক্ৰিকেট', 'কাবাদী'ৰ নামেৰে নামকৰণ কৰি ল'ব পাৰে। প্ৰতিটো দলক সেই নামৰ খেলসমূহৰ নীতি-নিয়ম আৰু বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰি লিখি উলিয়াবলৈ দিব পাৰে। লিখিত টোকাসমূহ শ্ৰেণীকোঠাত উপস্থাপন কৰিবলৈ দি নিম্নলিখিত ধৰণৰ প্ৰশ্নৰ অৱতাৰণা কৰিব।

১) খেলসমূহত নীতি-নিয়মৰ প্ৰয়োজনীয়তা কি?
২) খেলপথাৰত ৰেফাৰী বা আম্পায়াৰ নাথাকিলে কি পৰিস্থিতিৰ উদ্ভৱ হ'ব?
৩) আমাৰ বিদ্যালয়খন পৰিচালনা কৰিবলৈ কি কি নীতি-নিয়মৰ প্ৰয়োজন হয়?
৪) এই নীতি-নিয়মসমূহ নাথাকিলে আমাৰ কি কি অসুবিধা হ'ব?
৫) ৰাষ্ট্ৰ এখন পৰিচালনাৰ বাবে মূলতঃ কিহৰ প্ৰয়োজন হয়?

ছাত্ৰ-ছাত্ৰীৰ সহাঁৰিৰ আলমত শিক্ষকে আমাৰ জীৱনৰ প্ৰতিটো কাম নিয়াৰিকৈ পৰিচালনা কৰিবলৈ যে কিছুমান নিৰ্দিষ্ট কৰি লোৱা নীতি-নিয়মৰ প্ৰয়োজন হয়, সেই বিষয়ে বৰ্ণনা কৰিব। ঠিক তেনেদৰে সুনিৰ্দিষ্ট নীতি-নিয়ম, আইন-কানুনৰ অবিহনে যে ৰাষ্ট্ৰ এখন পৰিচালনা কৰিবলৈ অসম্ভৱ, সেই বিষয়ে ধাৰণা দিবলৈ পৰৱৰ্তী কাৰ্যলৈ আগবাঢ়িব।

**কাৰ্য নং ২ ঃ**

ছাত্ৰ-ছাত্ৰীসকলক তিনিটা দলত বিভক্ত কৰি প্ৰতিটো দলক নিম্নলিখিত দিশৰ ওপৰত পাঠ্যপুথি, অতিৰিক্ত প্ৰসংগপুথি, বাতৰি কাকত, আলোচনী আদি অধ্যয়ন কৰি টোকা যুগুত কৰিবলৈ দিব।

১) সংবিধানৰ প্ৰয়োজনীয়তা।
২) সংবিধানৰ বৈশিষ্ট্য।
৩) সংবিধানৰ প্ৰকাৰ।

টোকাসমূহ যুগুত কৰোতে প্ৰতিটো দলক শিক্ষকে সহায় কৰিব। যুগুটোৱা টোকাসমূহ প্ৰতিটো দলৰ দলপতিৰ দ্বাৰা শ্ৰেণীকক্ষত উপস্থাপন কৰিবলৈ দিব। টোকাসমূহ প্ৰস্তুত কৰাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ মনত ভিন ভিন লিখনি পঢ়াৰ অভ্যাস গঢ় দিয়াত গুৰুত্ব প্ৰদান কৰিব। উপস্থাপনৰ সময়ত শিক্ষকে প্ৰয়োজন সাপেক্ষে সহায় কৰিব যাতে উপস্থাপনৰ তথ্যসমূহ নিৰ্ভুল আৰু সঠিক হয়।

উপস্থাপনৰ অন্তত শিক্ষকে নিম্নলিখিত প্ৰশ্নসমূহৰ সহায়ত ছাত্ৰ-ছাত্ৰীৰ মূল্যায়ন কৰিব—

১) চৰকাৰৰ ভাগ কেইটা আৰু কি কি?

২) বিধানমণ্ডলে ৰাষ্ট্ৰ পৰিচালনাৰ বাবে কি কৰে?

৩) ৰাষ্ট্ৰ পৰিচালনা কৰা আইন কানুনৰ সমষ্টিক কি বুলি কোৱা হয়?

৪) নাগৰিকৰ অধিকাৰ আৰু কৰ্তব্যসমূহক কোনে ৰক্ষণাবেক্ষণ দিয়ে।

৫) লিখিত সংবিধান কাক বোলে?

৬) অলিখিত সংবিধানৰ এটি বৈশিষ্ট্য কি?

৭) নমনীয় সংবিধান কাক বোলে?

৮) আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংবিধানখন কেনে ধৰণৰ সংবিধান?

## কাৰ্য নং ৩ ঃ

শিক্ষকে ভাৰতীয় সংবিধানৰ ঐতিহাসিক পটভূমিৰ সম্পৰ্কে স্পষ্ট ধাৰণা এটা দিয়াৰ বাবে ছাত্ৰ-ছাত্ৰীক অষ্টম শ্ৰেণীৰ সমাজ বিজ্ঞানৰ পাঠ্যপুথিৰ পাঠ নং ২২নম্বৰ পাঠৰ ১৭৯, ১৮০ আৰু ১৮১নং পৃষ্ঠাত থকা প্ৰাসংগিক কথাখিনিৰ সৰৱ পঠন কৰিবলৈ দি তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখি উলিয়াবলৈ দিব।

১) ১৮৫৭ চনত ভাৰতীয় জনগণই বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ বিৰুদ্ধে কৰা বিদ্ৰোহটোৰ নাম কি?

২) কোন চনত ভাৰতৰ শাসনভাৰ ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতৰ পৰা ইংলেণ্ডৰ ৰাণীৰ প্ৰত্যক্ষ শাসনলৈ যায়?

৩) মৰ্লে মিণ্টোৰ সংস্কাৰ আইন কোন চনত গৃহীত হৈছিল?

৪) কোন কমিচনৰ প্ৰতিবেদনে ভাৰতৰ বাবে এখন সুকীয়া সংবিধান ৰচনাত গুৰুত্ব দিয়ে?

৫) কোন চনত কেবিনেট মিচন ভাৰতলৈ আহিছিল?

৬) সংবিধান সভাৰ সভাপতি কোন আছিল?

৭) সংবিধানৰ খচৰা কমিটিৰ সভাপতি গৰাকীৰ নাম কি?

উল্লিখিত প্ৰশ্নৰ উত্তৰসমূহ পোৱাৰ পিছত শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ আগত ভাৰতীয় সংবিধানৰ পটভূমিৰ ওপৰত আলোকপাত কৰিব।

## কাৰ্য নং ৪ ঃ

ছাত্ৰ-ছাত্ৰীক পাঠ্যপুথিৰ ২২নং পাঠৰ ১৮৪ আৰু ১৮৫ পৃষ্ঠাত বৰ্ণিত ভাৰতীয় সংবিধানৰ বৈশিষ্ট্যসমূহ দলত আলোচনা কৰি চাৰ্ট পেপাৰত লিপিবদ্ধ কৰি শ্ৰেণীকক্ষত আঁৰি থ'বলৈ ক'ব। কাৰ্যটো সূচাৰুৰূপে সম্পন্ন কৰাৰ ক্ষেত্ৰত শিক্ষকে সহায় কৰিব।

## কাৰ্য নং ৫ ঃ

"এইকেইদিন কমল, ময়ুৰীহঁতৰ গাত তত নাই। কাৰণ সিহঁতৰ চাচনী গাঁৱৰ বিহুখন ২৫ বছৰীয়া হ'ব। তাকেই লৈ ২ মাহৰ পৰাই অঞ্চলটোৰ বয়োজ্যেষ্ঠ যুৱক-যুৱতীকে ধৰি স্কুলীয়া ল'ৰা-ছোৱালীহঁতৰো আনন্দৰ অন্ত নাই। সকলোৰে এটাই উদ্দেশ্য ৰূপালী জয়ন্তী বৰ্ষৰ উৎসৱটো ধুমধামেৰে পাতিব লাগিব। কেইটামান বিখ্যাত বিহু হুঁচৰী দলক আমন্ত্ৰণ কৰাৰ পৰিকল্পনা লৈছে। কিন্তু এই কামবোৰ নিয়াৰিকৈ সম্পাদন হ'ব কেনেকৈ? কোনে দায়িত্ব ল'ব? কিমান পুঁজিৰ প্ৰয়োজন হ'ব? আৰু সেই পুঁজি কোনে সংগ্ৰহ কৰিব? ... আদি প্ৰশ্নবোৰে কমল, ময়ুৰীহঁতৰ মনত সঘনাই অগা-দেৱা কৰিব ধৰিলে। আবেলি আলিবাটত বৰুৱা চাৰক লগ পাই সিহঁতে চাৰকেই তেওঁলোকৰ মনত উদয় হোৱা প্ৰশ্নবোৰৰ উত্তৰ সুধিলে। সিহঁতৰ মুখলৈ চাই বৰুৱা চাৰে হাঁহি এটা মাৰি ক'লে—ৰ' বৰ চিন্তা হৈছে নহয়, কোনে কি কাম কৰিবি আদি; ৰবি মই বুজাই দিছো। এই গোটেই কামখিনি সুকলমে কৰিবলৈ প্ৰথমতে আমাক প্ৰয়োজন হ'ব এখন আয়োজক কমিটিৰ। এই কমিটিখনত জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে আমাৰ অঞ্চলৰ সকলো ৰাইজৰ প্ৰতিনিধি থাকিব। কমিটিখনৰ

গঠন প্ৰণালী হ'ল তাত এজন সভাপতি, এজন সম্পাদক, এজন কোষাধ্যক্ষ আৰু কেইজনমান সদস্য থাকিব। স্থানীয় বয়োজ্যেষ্ঠ আৰু অভিজ্ঞ ব্যক্তিসকলক কমিটিখনৰ উপদেষ্টা হিচাপে ৰাখিব লাগিব। এই কমিটিখনে তিনিদিনীয়া উৎসৱটো কেনেদৰে আৰম্ভ কৰিব, কেনেদৰে পৰিচালনা কৰিব, নিমন্ত্ৰিত শিল্পীসকলক কেনেদৰে অভ্যৰ্থনা কৰিব আদি কথাবোৰ আলোচনাৰ জৰিয়তে ঠিৰাং কৰিব। এই গোটেই কামখিনিৰ বাবে লাগিব আমাক এক সুন্দৰ পৰিকল্পনা আৰু কিছুমান সুশৃংখল নিয়ম-নীতি। আজি গধুলিয়ে আমি সমূহ ৰাইজ মিলি আলোচনা কৰিম। তহঁতেও কথাবোৰ মন দি শুনিবি। কাৰণ উৎসৱটোত তহঁতৰ দায়িত্ব বহুত থাকিব। চাৰৰ কথা শুনি ল'ৰা-ছোৱালীহঁতৰ মন আনন্দত ভৰি পৰিল আৰু লগৰীয়াবিলাকেকো কথাটো ক'বলৈ দৌৰ মাৰিলে।"

ওপৰৰ কথাংশৰ পৰা শিক্ষকে ছাত্ৰ-ছাত্ৰীক নিজ নিজ অঞ্চলৰ সমূহীয়া অনুষ্ঠান, উৎসৱ-পাৰ্বন আদি ৰাইজৰ সহযোগত কেনেদৰে অনুষ্ঠিত হয় তাৰ এটা ছবি দাঙি ধৰিব। লগতে কিছুমান প্ৰশ্নৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ মনত অধিকাৰ, দায়িত্ব, কৰ্তব্য আদিৰ বিষয়ে আলোকপাত কৰিব।

১) অনুষ্ঠান এটা পাতিবলৈ কি কি দিশৰ ওপৰত লক্ষ্য ৰাখিব লাগে?
২) সামাজিক অনুষ্ঠানসমূহত সকলোৱে সমানে অংশগ্ৰহণৰ সুবিধা পায়নে?
৩) আয়োজক বা অভ্যৰ্থনা কমিটিৰ গঠন প্ৰণালী কেনেধৰণৰ?
৪) অনুষ্ঠান এটাত নিজৰ ভাগৰ দায়িত্ব সুচাৰুৰূপে পালন নকৰিলে কেনেধৰণৰ অসুবিধাৰ সৃষ্টি হ'ব পাৰে?
৫) অনুষ্ঠান এটাত স্বেচ্ছাসেৱকসকলে কেনেধৰণৰ দায়িত্ব পালন কৰে?

## মোখনী ঃ

উল্লিখিত ধৰণৰ কাৰ্যৰ আলমত শিক্ষকে এখন সমাজ বা ৰাষ্ট্ৰত সাংবিধানিক নীতি-নিয়ম তথা গণতান্ত্ৰিক প্ৰক্ৰিয়াত নাগৰিকৰ দায়িত্ব আৰু কৰ্তব্যৰ ওপৰত ছাত্ৰ-ছাত্ৰীৰ আৰ্জিত ধাৰণাৰ লগতে নিজৰ মতামত আগবঢ়াব। লগতে ভাৰত আৰু ইয়াৰ প্ৰতিবেশী ৰাষ্ট্ৰসমূহত বৰ্তমান কেনেধৰণৰ শাসন ব্যৱস্থা চলি আছে আৰু তাৰ ওপৰতো উদাহৰণসহ আলোচনা আগবঢ়াব। ছাত্ৰ-ছাত্ৰীক গণতন্ত্ৰত সংবিধানৰ গুৰুত্ব যে কিমান বেছি সেই বিষয়ে উপলব্ধি কৰাবলৈ বিভিন্ন ধৰণৰ উদাহৰণৰ সহায় ল'ব। ঘৰুৱা পটভূমিৰ লগতে ৰাষ্ট্ৰীয় পটভূমিৰ লগত জড়িত বিভিন্ন ঘটনা-পৰিঘটনাৰ আলমত ছাত্ৰ-ছাত্ৰীসকলৰ মনত গণতান্ত্ৰিক মানসিকতা গঢ় দিয়াৰ প্ৰয়াস কৰিব।

## আৰ্হি প্ৰশ্ন ঃ

মূল্যায়নৰ বাবে শিক্ষকে ছাত্ৰ-ছাত্ৰীক তলত দিয়া ধৰণৰ প্ৰশ্নসমূহ কৰিব—

১) খালী ঠাই পূৰ কৰা—

ক) সংবিধান হ'ল কিছুমান .................... আৰু .....................ৰ সমষ্টি।
খ) ভোটদানৰ অধিকাৰক ................ বোলা হয়।
গ) সংবিধান পৰিৱৰ্তন কৰা প্ৰক্ৰিয়াটোক .................. বুলি কোৱা হয়।
ঘ) লিখিত সংবিধান স্পষ্ট আৰু .................।
ঙ) অনমনীয় সংবিধান সদায় ................. ৰূপত থাকে।

২) সোঁ অংশৰ লগত বাওঁ অংশ মিলোৱা—

| | |
|---|---|
| ক) সংশোধিত ভাৰত পৰিষদ আইন | ক) ১৯২৭ চন |
| খ) চাৰ চাইমন কমিচনৰ প্ৰতিষ্ঠা | খ) ১৯৩৫ চন |
| গ) ভাৰত চৰকাৰ আইন গ্ৰহণ | গ) ১৮৯২ চন |
| ঘ) আগষ্ট প্ৰস্তাৱ | ঘ) ১৯৪৯ চনৰ ২৬ নৱেম্বৰ |
| ঙ) ভাৰতৰ খচৰা সংবিধানৰ স্বাক্ষৰ | ঙ) ১৯৪০ চন |

৩)	চমু টোকা লিখা—
ক) ড° ভীমৰাও আম্বেদকাৰ
খ) চৈয়দ মহম্মদ চাদুল্লা
গ) জৱাহৰলাল নেহৰু
ঘ) ড° ৰাজেন্দ্ৰ প্ৰসাদ

৪)	“গণতান্ত্ৰিক প্ৰক্ৰিয়াত সকলো নাগৰিকৰ সমান অধিকাৰ থাকে।” কথাষাৰ যুক্তি সহকাৰে মতামত আগবঢ়োৱা।

৫)	গণতান্ত্ৰিক প্ৰক্ৰিয়াত নাগৰিকৰ দায়িত্ব আৰু কৰ্তব্যৰ প্ৰয়োজনীয়তা কি?

৬)	সংবিধানৰ প্ৰস্তাৱনাত থকা ধৰ্ম নিৰপেক্ষ শব্দটোৱে কি সূচায়?

৭)	গণৰাজ্য মানে কি?

৮)	কোন দেশৰ সংবিধানৰ আৰ্হিত ভাৰতৰ নিৰ্দেশাত্মক নীতি সন্নিবিষ্ট কৰা হৈছে?

৯)	ভাৰতৰ সংবিধানে নিৰ্ধাৰণ কৰা নাগৰিকৰ কৰ্তব্যসমূহ কি কি?

১০)	সংবিধান প্ৰণয়নত অসমৰ কোন কোন ব্যক্তি জড়িত আছিল?

১১)	বিশ্বৰ কোন কোন দেশত গণতান্ত্ৰিক প্ৰক্ৰিয়া প্ৰচলন আছে?

১২)	ঘৰৰ আটাইকেইজন সদস্য লগ সমনীয়াৰ লগ হৈ ভাৰতৰ সংবিধানৰ পৰা তোমালোকে কি কি সুবিধা আৰু অসুবিধা পাইছা লিপিবদ্ধ কৰা।

১৩)	তোমাৰ মতে ভাৰতৰ সংবিধানৰ আটাইতকৈ উল্লেখযোগ্য আৰু গুৰুত্বপূৰ্ণ বৈশিষ্ট্যটো কি? কিয় গুৰুত্বপূৰ্ণ বুলি ভাবা।

১৪)	ভাৰতীয় সংবিধানখন নমনীয় হ'লে তোমাৰ মতে কি কি সুবিধা আৰু অসুবিধা হ'ব।